চান্দমামা

ছেপটে'মবাৰ ১৯৮৮



No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

CMP-2155

THE HERITAGE

So much in store, month after month.

আগবঢ়োৱা হৈছে!
নতুন
মেডিকাৰ
ওকনি দূৰ কৰাৰ সৰল, নিৰাপদ আৰু কাৰ্য্যকৰী উপায়
Mediker
ANTI-LICE TREATMENT
Mediker
ANTI-LICE TREATMENT
ওকনি দূৰ কৰিবৰ পুৰণা ফলপ্ৰসূ নোহোৱা উপায় সমূহ পাহৰি যাওক ! মেডিকাৰ লওক । ওকনিৰ সমস্যালৈ নিচিন্ত হওক !
সৰল
মেডিকাৰ সৰলভাৱে শ্বেম্পুৰ দৰে ঘঁহিব আৰু ধুব লাগে প্ৰক্ৰিয়াটো পুনৰাই কৰাটো প্ৰয়োজনীয় ।
নিৰাপদ
মেডিকাৰ গভীৰ চিন্তা ভাবনা আৰু কঠোৰ পৰীক্ষা-নীৰিক্ষাৰ ফলত প্ৰস্তুত ।
কাৰ্য্যকৰী
মেডিকাৰে মাত্ৰ ৬ মিনিটত ওকনি নিৰ্মূল কৰে ।
মেডিকাৰ
ওকনিৰ পৰা আপোনাৰ ৰক্ষক
সৰল · নিৰাপদ · কাৰ্য্যকৰী
উৎপাদক : ৰিচাৰ্ডচন হিন্দুস্তান লিঃ
ভিক্স আৰু ক্লিয়াৰেচিলৰ নিৰ্মাতা
everest/88/RHL/81.as

শ্ৰী গৌতম গোস্বামী
১.৯.৮৮

চান্দমামা

ছেপটেমবাৰ ১৯৮৮

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
সঁচাৰ দোষ-মিছাৰ গুণ	:	১০
দূৰৰ পৰ্বত	:	১১
শিয়ালৰ শিং	:	১৬
স্বৰ্ণ-উপত্যকা	:	১৯
পতিহা আৰু প্ৰতিজ্ঞা	:	২৭
পোলা-কটা	:	৩৪
নন্দ আৰু মৌৰ্য্য-৩	:	৩৫
সাধাৰণ-অসাধাৰণ	:	৩৯
কৃষ্ণাৱতাৰ	:	৪৩
দুৰ্বুদ্ধি-বক্ৰবুদ্ধি	:	৫১
ধৰ্মৰ মূল	:	৫৬
ঈশ্বৰ-সাক্ষী	:	৫৯
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে: ২.৫০ পইচা মাথোন

বছৰেকীয়া বৰঙণি

৩০.০০ টকা মাথোন

MAGGI CLUBBERS · FUN LOVERS
MAGGI CLUB

ৰং তামাচাৰ জগতত প্ৰবেশ কৰা - মেগী ক্লাবৰ সদস্য হোৱা !

সদস্য হবৰ বাবে, কেৱল ৫ টা খালি মেগী নুড্‌ল পেকৰ সমুখৰ ফালে থকা 'Maggi 2-Minute Noodles'—এই নামটো কাটি উলিওৱা আৰু আমালৈ পঠাই দিয়া । আজীৱন সদস্য কৰিবলৈ আমি তোমালোকলৈ পঠাম এটা 'ছুপাৰ মেগী ক্লাব মেম্বাৰশ্বিপ বেজ' আৰু এখন সদস্যভুক্তি প্ৰমাণপত্ৰ ! ইয়াৰ উপৰি তলত উল্লেখ কৰা যিকোনো এবিধ উপহাৰ বাচি লোৱাৰো সুযোগ পাবা—

* মেগী স্কুল ফান ছে'ট (এখন টাইমটেব্‌ল আৰু ২০ খন কিতাপৰ লেবেল) * মেগী ট্ৰেফিক গেম * চাইনীজ পাজ্‌ল্ * মেগী পোষ্টাৰ ছে'ট * ডিচনী টুডে কমিক (প্ৰতিবাৰে শেহতীয়াখন)

ইচ্ছা কৰিলে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত তোমালোকে এই ৫ টা উপহাৰৰ আটাইবোৰেই সংগ্ৰহ কৰিব পাৰিবা, মাত্ৰ প্ৰতিটো উপহাৰৰ বাবে ৫ টাকৈ খালি পেক পঠাব লাগিব ।

অকল সেয়েই নহয়, ভৱিষ্যতে মেগী ক্লাবত বহুতো আনন্দ উত্তেজনাৰ ব্যৱস্থা আছে । গতিকে আজিয়েই ইয়াৰ সদস্য হৈ লোৱা ।



মনত ৰাখিবা!

মেগী পেকৰ পৰা কাটি উলিওৱা নামকেইটা, ৬০ পইচাৰ টিকট লগোৱা এটা লেফাফাৰ ভিতৰত ভৰাবা আৰু এটুকুৰা কাগজত এই কথাখিনি বিতং কৈ লিখিবা :

নাম : সম্পূৰ্ণ ঠিকনা : বয়স : ল'ৰা/ছোৱালী :

কাটি উলিওৱা মেগী নামটোৰ পঠোৱা সংখ্যা : তুমি বিচৰা উপহাৰ :

চিঠি এই ঠিকনাত পঠাবা—

দি মেগী ক্লাব, পোষ্ট বক্স নং ৫৭৮৮, নিউ দিল্লী-১১০০৫৫

MAGGI
2-minute noodles

HTA 6026ASS

"CRIPPLE"

The word can maim a child for life.

Imagine not being able to race your best friend. Imagine not having a best friend. Imagine being struck by Poliomyelitis before you even know the word. Or what it means. And be called a "cripple" for life.

Every year, Poliomyelitis or Polio strikes 275,000 children in India. In rural India, 1 in every 150—200 surviving newborn is in danger of developing polio unless urgent preventive measures are taken. And, while you read this, there are 1.6 million polio-stricken children in the country, most of them handicapped for life. If only they had been immunized... in time.

PolioPlus
The Rotarian Relief Programme

Rotary International has embarked on a world-wide immunization programme called PolioPlus. Through this programme, Rotary will provide all polio vaccines necessary for upto 5 consecutive years, for children in countries around the world.

Plus immunization against common childhood diseases like measles, diphtheria, tuberculosis, tetanus and whooping cough—diseases which take 3.5 million young lives in the developing world, every year.

PolioPlus
A Rotary International Campaign
TO IMMUNIZE THE CHILDREN OF THE WORLD

Cut and mail to :
Chairman
POLIOPLUS CAMPAIGN TRUST
128, Golf Links
New Delhi-110 003.

Here's what You Can Do

YES, WE WISH TO SUPPORT THE POLIOPLUS CAMPAIGN TRUST
We enclose our Cheque/Draft of Rs. ....
Name ....
....
Designation ....
....
Company Address ....
....
Phone No. ....

Cheques/Drafts should be drawn in favour of POLIOPLUS CAMPAIGN TRUST payable in Bombay, Contributions are exempted from income tax under section 80 (G) of the Income Tax Act, 1961.

CMP

"YOU HAVE NOT DONE ENOUGH AS LONG AS YOU ARE CAPABLE OF DOING MORE." ***ACT NOW.***

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

এই সংখ্যা চান্দমামাত বিনন্দাই শেহান্তৰত 'স্বর্ণ-উপত্যকা'ত ভৰি দিলেগৈ। সেই অনুভূতি প্ৰকৃততেই ৰোমাঞ্চকৰ। দূৰৰ পর্বত দেখিবলৈ শুৱনি, তাৰ আলমত এই সংখ্যাৰ ১১ পৃষ্ঠাত এটি আকর্ষক গল্প কোৱা হৈছে। 'শিয়ালৰ শিং' দেখিবলৈ হ'লে ১৬ পৃষ্ঠা চাব লাগিব। 'প্ৰতিহ্য আৰু প্ৰতিজ্ঞা'ৰ মাজত কি পার্থক্য জানিবলৈ হ'লে বেতালৰ হাতত পৰিবগৈ লাগিব। আৰু দুৰ্বুদ্ধি আৰু বক্ৰবুদ্ধিক লগ ধৰিবলৈ খোজ ল'ব লাগিব মানদেশলৈ। 'ঈশ্বৰ সাক্ষী'ৰ কথা আছে উন্মোচিত। এই সংখ্যাৰ অন্যান্যখিনিও অতি আকর্ষক।

অমৰ-বাণী

যদ্যদা চৰতি শ্ৰেষ্ঠঃ তত্তদেৱেতৰো জনঃ।
সয়ৎ প্ৰমাণম্ কুৰুতে লোকস্তদনুবর্ততে॥

[একমাত্ৰ শ্ৰেষ্ঠ লোকসকলৰ কাৰ্য্যহে সাধাৰণ মানুহে সর্বদা অনুসৰণ কৰে। শ্ৰেষ্ঠ লোকসকলৰ স্বীকৃত তথা প্ৰামাণ্য বস্তুক অনুসৰণ কৰিয়েই জগত-সংসাৰ বর্তি আছে।]

বছৰঃ ১৩ ছেপটেম্বৰ ১৯৮৮ সংখ্যাঃ ৬

খনেঃ ২·৫০ টকাঃ ঃ বছৰেকীয়া বৰঙণিঃ ৩০·০০ টকা

Now from Lion Pencils, here's another Novelty...
the Pearl finished **LION PINKY** pencil, a pretty pencil to behold.
Superb in looks, super smooth in writing with its HB Lead
strongly bonded to give you unbreakable points.

Also available with rubber tip and hexagonal

Other popular brands of Lion Pencils are:
Lion **MOTO,** Lion **TURBO,** Lion **SWEETY,** Lion **CONCORD,**
Lion Hi-Tech **METALLIC,** Lion **MASH-HOOR,** Lion **EXECUTIVE,**
Lion **NOVELTY,** Lion **GEEMATIC** Drawing Pencils
and **RATTAN** Colour Pencils & Wax Crayons.

LION PENCILS PVT. LTD. 95 Parijat, Marine Drive, Bombay 400 002.

National-407

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

বিলুপ্ত হ'ল বিদিত...

১৮হতীয়া ডেউকা আৰু ৯০ পাউণ্ড ওজনৰ সামুদ্রিক চৰাইক কেৱল সমুদ্ৰৰ বুকুতে নহয়, সমুদ্ৰতীৰতো দেখা গৈছিল আৰণি-পুৰণি দিনত। প্ৰায় ৫ মিলিয়ন বছৰৰ আগতেই এইবোৰ চৰাই পৃথিৱীৰপৰা বিলুপ্ত। কিন্তু সম্প্ৰতে এইবিধ এটি চৰাই আমেৰিকাত পৰিলক্ষিত হৈছে। এই চৰাইটি সিমান ডাঙৰ নহ'লেও ইয়াৰ ওজন ২০ পাউণ্ড।

চিলানে চিলনী...

কালিফ'র্নিয়াৰ ডিন্‌ডা নামৰ এজনী যুৱতীয়ে চিলা উৰাই থাকোঁতে হঠাৎ তাইক ৩০ মিটাৰ ওপৰত উৰি থকা দেখা পালে তাইৰ মাক-দেউতাকে। বহু সময়ৰ অন্তত তাই অৱশ্যে নিৰাপদেই পুনৰ নামি আহিব পাৰিলে আকাশৰপৰা। ঘটনাটো ঘটিছিল এনেকৈ: চিলাৰ সূতাখিনি এখন উৰা-জাহাজৰ লগত বান্ধ খাই পৰিছিল আৰু সেই কাৰণে ডিনড্‌াজনীও চিলাৰ সূতাৰ কাঠিৰ লগত আকাশলৈ উৰা মাৰিছিল। ভাগ্য ভাল যে সূতাডালো ছিগিল, ডিন্‌ডাজনীও ৰক্ষা পৰিল!





ৱাশ্বিংটনত ইন্দ্ৰাস্ত্ৰ...

ৱাশিংটনৰ মিউজিয়ামলৈ প্ৰতিদিন অজস্ৰ চিঠি আৰু পাৰ্ছেল আহে। এদিন এটা পাৰ্ছেলৰ ভিতৰত ৰঙা বজ্ৰ এটা থকা দেখা গ'ল। সমগ্ৰ পৃথিৱীত মাত্ৰ চাৰিটা বজ্ৰ আছে। পিছে—সেইবোৰ যে ক'ত আছে, কাৰ ওচৰত আছে, সেই কথা কোনেও ক'ব নোৱাৰে। এই বজ্ৰৰ দাম লাখ লাখ টকা। বজ্ৰটোক চোৱাৰ বাবে প্ৰতিদিন অসংখ্য দৰ্শকৰ সমাগম হৈছে!

হাদিৰা-চকী নহয়—মহিলা-চকী!

আলিগড়ত এনেকুৱা পুলিছ-চকী এখন আছে, য'ত কনষ্টেবল ইনস্পেক্টৰপৰা আৰম্ভ কৰি পিয়নলৈকে সকলো মহিলা!



সঁচাৰ দোষ-মিছাৰ গুণ

সুদৰ্শন নামৰ এগৰাকী ৰজা আছিল। প্ৰহৰীইঁতে যুৱক এজনক ধৰি লৈ আহিল। এই যুৱক আছিল বিদেশী মানুহ। তাৰ বিৰুদ্ধে অভিযোগ ঃ সি বাটৰুৱাইঁতক হত্যা কৰি লুটপাত কৰি ফুৰিছে। ৰজা সুদৰ্শনে যুৱকক মৃত্যুদণ্ড বিহিলে।

মৃত্যুদণ্ডপ্ৰাপ্ত যুৱকক প্ৰহৰীইঁতে ৰাজসভাৰপৰা উলিয়াই লৈ যাওঁতে যুৱকে তাৰ নিজৰ ভাষাৰে কিবকিবি কৈ আছিল। ৰজাই তেওঁৰ মহামন্ত্ৰীক সুধিলে যে, সি কৈছে তেওঁ বুজি পায়নে কি। মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, যুৱকে আপোনাৰ বিচাৰৰ নীতিৰ শলাগ লৈছে।"

ৰজাই ভাল পাই কৈ উঠিল, "হয়নে? তেনেহ'লে তাক মৃত্যুদণ্ডৰ সলনি এবছৰমান কাৰাগাৰত আটক কৰি থোৱা হওক।"

লগে লগে আন এজনে কৈ উঠিল, "মহাৰাজ, এই যুৱকে আপোনাৰ বিচাৰ নীতিৰ শলাগ লোৱা নাই, নিন্দাহে কৰিছে। তাৰ ভাষা মই জানো বুলিহে ভালকৈ বুজি পাইছোঁ।"

ৰজাই অলপ সময় নিমাতে থাকি তাৰ পাছত ক'লে, "মহামন্ত্ৰীয়ে কোৱা কথাৰে এজন যুৱকৰ প্ৰাণ ৰক্ষা পৰে, অৱশ্যে মহামন্ত্ৰীৰ কথা মিছা হ'ব পাৰে। তোমাৰ কথাৰে যুৱক এজনৰ মৃত্যু হ'ব, অৱশ্যে তোমাৰ কথা সঁচা হ'ব পাৰে। এই ক্ষেত্ৰত মিছাতকৈ সঁচা কথা অধিক নিৰ্মম। সেইদেখি মোৰ মতে—এই যুৱকক কাৰাগাৰত এবছৰৰ বাবে আটক থোৱাই ভাল। এই ক্ষেত্ৰত মিছাৰেই জয় হওক।"

ৰজাৰ এই উদাৰ প্ৰস্তাৱ শুনি সভাস্থ সকালোটি তুষ্ট হ'ল।



দূৰৰ পৰ্ব্বত

মাণিক্যপুৰৰ জমিদাৰ মহীধৰ ডাঙৰীয়া আছিল এগৰাকী সুযোগ্য তথা সুদক্ষ জমিদাৰ। এবাৰ জমিদাৰ মহীধৰে তেওঁৰ গোমস্তা গংগাধৰক লগত লৈ, হালোৱাৰ ভেশছন ধৰি প্ৰজাহঁতৰ তথা হালোৱা আ-অৱস্থাৰ বুজ-বাজ ল'বলৈ ওলাল।

গৈ গৈ এঠাইত এজোপা গছৰ ডালত চিপজৰী ল'বলৈ ওলোৱা মানুহ এজনক সুধিলে যে চিপজৰী লোৱাৰ কাৰণ কি।

"মোৰ কথা শুনিনো কি হ'ব? কপালত জুই লাগে যদি—সেই জুই কোনেনো নুমাব? তথাপি. সুধিছাই যেতিয়া কওঁঃ মোৰ নাম সীতাপতি। জলজাক্ষিক ভাল পাই বিয়া কৰাম বুলি ভাবোঁতেই শুনিলোঁ যে—তাই হেনো জমিদাৰ মহীধৰকহে বিয়া কৰাব, মোক নকৰায়। এতিয়া কোৱা. চিপজৰী নলৈ মই কি হেঁকাই টিলিকি বাম?"

হালোৱাৰ ভেশছনত থকা জমিদাৰে সীতাপতিক ক'লে, 'শুনা. জমিদাৰ মহীধৰ হ'ল মোৰ বন্ধু। জলজাক্ষিয়ে যাতে তোমাক বিয়া কৰাবলৈ মান্তি হয়, তাৰ বাবে, মই মোৰ বন্ধুক কৈ-মেলি কিবা এটা বন্দবস্ত কৰাৰ চেষ্টা কৰিম।"

পাছত জমিদাৰ আৰু তেওঁৰ গোমস্তাই জলজাক্ষিহঁতৰ ঘৰলৈ বুলি খোজ ল'লে।

জলজাক্ষিহঁতৰ ঘৰৰ দুৱাৰমুখত বহু মানুহ জুম বান্ধি থিয় হৈ আছিল। হালোৱাৰূপী জমিদাৰ মহীধৰে এজন মানুহক সোধাত মানুহজনে ক'লে, "এই ঘৰৰ ছোৱালী এজনীয়ে জমিদাৰক বিয়া কৰাব বুলি জিদ ধৰিছে। কিন্তু তাইৰ

মোহন মহন্ত

দেউতাৰ ইমানেই দুখীয়া যে—জমিদাৰক জোঁৱাই হিচাপে পোৱাৰ কথা বাদেই, জমিদাৰৰ কাষ চপাৰ সাহসো তেওঁৰ নাই, নহ'ব। তাই প্ৰস্তাৰত দেউতাৰ মান্তি নোহোৱাত তাই কুঁৱাত পৰি মৰিব বুলি ওলাইছিল। চুবুৰীয়াই তাইক কেনেবাকৈ ধৰি লৈ আহিল।"

এই কথা শুনি গংগাধৰ গোমস্তাৰ মনত জলজাক্ষিৰ প্ৰতি পুতৌ উপজিল। গোমস্তাই জমিদাৰক ক'লে, "তাই মনে-চিতে দেখিছোঁ — আপোনাকেই ভাল পায়। আপুনি মন কৰিলেই এইজনীক বিয়া কৰাব পাৰে দেখোন!"

গংগাধৰ গোমস্তাৰ কথা শুনি জমিদাৰ মহীধৰ মৰা-মূৰ্ছা হোৱা যেন হ'ল। নিজক অলপ চম্ভালি লৈ তেওঁ ক'লে, "ম্-মই—আকৌ কিয় বিয়া কৰামহে? তুমি বাক ধুম-বলিয়াহে হ'লানে কি? এনেবোৰ দিহা-বুধি মোক নিদিবা। মোক গুত পৰা ঔটো কৰি তোলাৰ বুধি নিদিয়াকৈ বৰঞ্চ সীতাপতিৰ লগত তাইক যোৰা পাতি দিয়াৰ চিন্তা কৰা, চেষ্টা কৰা।"

সাতদিনৰ পাছত এদিন দুজন মানুহে জলজাক্ষিহঁতৰ ঘৰৰ আগত থিয় হৈ ক'লে, "আমি জমিদাৰ মহীধৰৰ ওচৰত কাম কৰোঁ। এই ঠাইৰপৰা অলপমান আঁতৰত থকা হাবিত চিকাৰ কৰিবলৈ আহি ভৰিত আঘাত পাই জমিদাৰ ডাঙৰীয়া অসুস্থ

হৈ পৰিছে। চিকিৎসকে তেওঁক বেছি লৰ-চৰ নকৰাকৈ শুই থাকিবলৈ কৈছে। তোমালোকৰ ঘৰতে তেওঁৰ থকা-মেলাৰ বন্দৱস্ত হ'বনে?"

জলজাক্ষিহঁত তদ্দ:ও মান্তি হোৱাত জমিদাৰ জলজাক্ষিহঁতৰ ঘৰলৈ আহিল। তিমানতে জলজাক্ষিয়ে জমিদাৰৰ থকা-মেলাৰ বাবে এটা কোঠা আটম-টকালিকৈ সজাই-পৰাই থৈছিলেই। জমিদাৰক দেখা পাই, কান্দো কান্দো যেন ভাব কৰি জলজাক্ষিয়ে জমিদাৰক ক'লে, 'আপোনাক এই অৱস্থাত দেখি ইমান যে বেয়া লাগিছে মোৰ!"

যি কি নহওক, সেই দিনা জলজাক্ষিয়ে অতি আন্তৰিকতাৰে জমিদাৰ মহীধৰৰ সেৱা-যত্ন কৰিলে।

পাছদিনা, গধূলিৰ আগে আগে জমিদাৰৰ মানুহ কেইজনমানে বিৰাট বিৰাট পাত্ৰত মদ লৈ আহিল আৰু জলজাক্ষিহঁতৰ ঘৰতে থ'লে।

জলজাক্ষিয়ে জমিদাৰক সুধিলে, "এই পাত্ৰবিলাকত কি আছে?"

জমিদাৰে মিচিকীয়াই হাঁহিলে আৰু ক'লে, "এই পাত্ৰবিলাকত মদ আছে। টেঁটুলৈকে মদ নাখালে ৰাতি মোৰ টোপনি নাহে। মদ নাখালে ৰাতি উজাগৰে চাটি-ফুটিকৈ কটাব লাগে।"

ৰাতি এপৰমান পাৰ নৌহওঁতেই



বাছকবনীয়া সাজ-পাৰ পিন্ধা আন তিনিজন মানুহো জমিদাৰৰ ওচৰলৈ আহিল। জমিদাৰে সেই 'ভদ্ৰলোক'মানুহ তিনিজনৰ লগত বহি ওৰে ৰাতি মদ খাই চৌচাল খেলি থাকিল। আৰু বাজি মাৰি চৌচাল খেলাত বাৰে বাৰে হাৰি জমিদাৰৰ বহুত টকা লোকচান হ'ল।

ৰাতি পুৱা সেই তিনিজন চৌচাল খেলুৰৈ ৰৌজাল-বৌজাল কৰি গুচি যোৱাৰ পাছত গোমস্তা গংগাধৰে জমিদাৰ মহী-ধৰক ক'লেহি, "যদি জগৰ নধৰে—কথা এষাৰ ক'ৰেঁই। ইমানকৈ টেকেলীয়ে টেকেলীয়ে মদ খাই থাকিলে দৰবে গুণ নিদিব। আৰু কালি ৰাতি চৌচাল খেলত বাজি মাৰি যি পৰিমাণৰ ধন গ'ল তাৰ ফলত আপোনাৰ ধনৰ ভঁৰাল উদি হ'ব। এনেকৈ চলি থাকিলে বেমাৰো ভাল নহ'ব, জমিদাৰিৰো মুদা মৰিব।"

"শুনা—" জমিদাৰে বিধিজ্ঞ এজনৰ দৰে ক'লে, "মানুহৰ জীৱনত আনন্দহে আচল কথা। এয়ে ঘাই, আন একো নাই। যদি জমিদাৰিৰ মুদা মৰেও, মই মুক্ত এৰি শুক্তা নলওঁ নহয়? যিকেইদিন জীয়াই থাকিম, ৰঙৰ কিলত শুকুলা-শুকুল হৈয়েইহে জীয়াই থাকিম। মৰাৰ আগতে ঢৰা লঘোন দিয়াত মই নাই। শুনা, মই কালি ৰাতি কিমান হাৰিলোঁ—তুমি নিশ্চয় নাজানা। তোমাৰ জনাৰ আৱশ্যকো নাই। তুমি পাৰিলে আজিয়েই, নহ'লেও দুই-তিনি দিনৰ ভিতৰত মোৰ ধনপতি গাঁৱৰ মাটি বিছহালিচামান বেচি তুৰন্তে টকা আনি দিবা।" এই বুলি কৈ, জমিদাৰ ডাঙৰীয়াই বিছনাত দীঘল দিলে।

চিকিৎসকক মাতি লৈ অহা হ'ল। পৰীক্ষা কৰাৰ অন্তত চিকিৎসকে গোমস্তাক ক'লে, "এওঁক অতি কঠোৰ শৃংখলাৰ মাজত ৰাখিব লাগিব। নহ'লে দৰবেও গুণ নিদিব, বিপদ হ'ব পাৰে।"

যি কি নহওক, জমিদাৰ ডাঙৰীয়াক

তেওঁৰ নিজৰ ঘৰলৈ লৈ যোৱাৰ দিহা কৰা হ'ল। নিজৰ ঘৰলৈ উভতি যোৱাৰ আগতে জমিদাৰ মহীধৰে জলজাঙ্কিক একাষৰীয়াকৈ মাতি নি সৰু সৰুকৈ ক'লে, "জলজাঙ্কি, মই ঘৰলৈ উভতি যাম আজি।" তুমি যে এৰাতিৰ বাবে হ'লেও সেৱা-যত্ন কৰিছিলা, মই সেই কথা জীৱনকালতো নাপাহৰোঁ। মই তোমাৰ ৰূপ চাই মুগ্ধ, গুণৰো মুগ্ধ। ভাল হৈ উঠাৰ পাছত তুমি সঁচাসঁচিকৈ হেৰি কি বোলেনে—মোক তুমি বাৰু সঁচাসঁচিকৈয়েই বিয়া কৰাবানে?"

"মোক ক্ষমা কৰক। আপোনাক বিয়া কৰাম, সুখত থাকিম, এয়া আছিল মোৰ দিনৰ চিন্তা-ৰাতিৰ সপোন। কিন্তু এৰাতিৰ ভিতৰতে সেই চিন্তাৰ চিলিম ছিগিল, ৰাতিৰ সপোন ভাগিল। এয়ে যদি এগৰাকী মান্যমান জমিদাৰৰ আচল ৰূপ হয়, তেনহে'লে—তপতভাতে জুইৰ গুৰি বিচৰা দি মই আৰু বাৰটা মাহত তেৰটা জগৰ বিচাৰি ফুৰাত নাই। এজন প্ৰতাপী জমিদাৰ হিচাপে আপোনাৰ যিমানেই যি নাথাকক লাগিলে, স্বামী হোৱাৰ যোগ্যতা আপোনাৰ নাই যেন লাগিছে মোৰ। এগৰাকী স্বামী হিচাপে আপোনাতকৈ দুখীয়াৰো দুখীয়া সীতাপতি ঢেৰ যোগ্য। বিয়া যদি কৰোৱেঁই—সীতা-পতিকে বিয়া কৰাম। দূৰৰ পৰ্বত দেখিবলৈ শুৱনি হোৱাৰ ফকৰাষাৰ যে এনেয়ে ৰচা হোৱা নাই. এতিয়াহে হাড়ে-হিমজুৱে বুজি পালোঁ।'

জমিদাৰ ডাঙৰীয়া জলজাঙ্কিৰ দৃঢ় উত্তৰ শুনি আনন্দিত হ'ল। আগতীয়াকৈ কৰা আঁচনি মতে সকলো ঠিকঠাকে হোৱাত তেওঁ ভাল পালে। সীতাপতিৰ লগত জলজাঙ্কিৰ বিবাহ সমাধা হৈ যোৱাৰ অন্তত জমিদাৰ ডাঙৰীয়াই সেই সীতাপতিক তেওঁৰ কামত ল'লে।

শিয়ালৰ শিং

বেদপল্লী গাঁৱত পেৰিশাস্ত্ৰী নামৰ এজন বিৰাট পণ্ডিত আছিল। তেওঁৰ ওচৰত অসংখ্য পুৰণিদিনীয়া গ্ৰন্থ আছিল। সমগ্ৰ পৃথিৱীত কিমান প্ৰকাৰৰ জাত-পাত, মতামত, বিভেদ-বিভ্ৰম আছে—এই গ্ৰন্থসমূহত সেইবোৰ কথা লিপিবদ্ধ আছিল।

সাধাৰণ মানুহৰ মাজত সেইবোৰ কথা প্ৰচাৰ কৰাৰ আৰু মানুহক প্ৰশিক্ষিত কৰি তোলাৰ সিদ্ধান্ত ল'লে পণ্ডিত পেৰিশাস্ত্ৰীয়ে। তেওঁ এইবোৰ গ্ৰন্থ কেইটামান বাকচত ভৰাই বীৰবদন নামৰ মানুহ এজনক এইবোৰ বাকচ কঢ়িয়াই ফুৰাৰ দায়িত্ব দিলে আৰু সেই মানুহজনক লগত লৈ দেশে দেশে ভ্ৰমি 'যত মত তত পথ'ৰ বিষয়ে প্ৰচাৰ কৰিবলৈ ধৰিলে।

এইদৰে, এবছৰকাল পাৰ হৈ যোৱাৰ পাছত, এগৰাকী জমিদাৰে তেওঁৰ প্ৰশ্নৰ সদুত্তৰ পাই পণ্ডিত পেৰিশাস্ত্ৰীক এলাখ মুদ্ৰা উপহাৰ দিলে। তাৰ পাছত এগৰাকী ৰজাই দুই লাখ মুদ্ৰাৰে পেৰিশাস্ত্ৰীৰ পাণ্ডিত্যৰ শলাগ ল'লে।

কিন্তু—পেৰিশাস্ত্ৰীৰ নাম-ডাক যিমান বাঢ়ে, বীৰবদনৰ পেটৰ ভাত সিমানেই চাউল হয়। পেৰিশাস্ত্ৰী যিমান নাম হয়, বীৰবদন তিমানেই ভিজে। পেৰিশাস্ত্ৰীৰ শৰীল-স্বাস্থ্য যিমানেই জিলিকে, বীৰবদন সিমানেই বুঢ়ামুৰা পৰে। পণ্ডিত হয় তেজগোৰা, বীৰবদন হয় তেজ-পৰা। বীৰবদন কিয় যে দিনে দিনে খীণাই-শুকাই হাড়ে-ছালে লগাটো হৈ পৰিছে, সেই কথাৰ গম-গতি ঠাৱৰ কৰিব নোৱাৰি পণ্ডিতে এজন বয়সিয়াল চিকিৎসকক মতাই

অনালে। চিকিৎসকে বীৰবদনক সূক্ষ্মভাৱে পৰীক্ষা কৰি ক'লে যে—বীৰবদনৰ দেহত কোনো ধৰণৰ ৰোগ-ব্যাধি নাই।

এই কথা শুনি অবাক মানি পেৰিশাস্ত্ৰীয়ে বীৰবদনক ক'লে, "বীৰবদন, তোৰ কি হ'ল ক'চোন? তই নিশ্চয় পোনেগুছিয়ে ডুব মাৰিছ। নিশ্চয় এনেকুৱা কিবা গুপুত কথা আছে—যি কথা তই কোৱা নাই, ফালেঙী মাৰিছ। নক'লেনো তোক ভাল কৰি তুলিম কেনেকৈ?"

পোনতে—কথাটো বীৰবদনে ক'ব খোজা নাছিল, হেঁহো-নেহো কৰিছিল। কিন্তু পেৰিশাস্ত্ৰীয়ে যেতিয়া পেৰা-পেৰি কৰিবলৈ ধৰিলে, তেতিয়া ধীৰে-শাঁতে পেৰিশাস্ত্ৰীক ক'লে, "দৌতা, আপোনাৰ কিতাপৰ এই গধুৰ বোজা কঢ়িয়াইছোঁ মই, নাম-খিয়াতি হৈছে আপোনাৰ, দুয়ো হাতে কোঁচাইছে আপুনি, আপোনাৰ নাম-ধন-মান—মোৰ কেৱল কাম আৰু কাম। মোৰনো কামৰ বাহিৰে আৰু কি হৈছে, কি পাইছোঁ মই—ক'কচুন?"

বীৰবদনৰো যে—এই কাৰণে দুখ-শোক হ'ব পাৰে, হোৱা যে সম্ভৱ, সেই অসম্ভৱ কথাটোৰ—পেৰিশাস্ত্ৰীয়ে আনকি কল্পনাও কৰিব পৰা নাছিল। তেওঁ অলপ ভাবি লৈ বীৰবদনক ক'লে, "বীৰবদন, এতিয়াৰপৰা কিতাপৰ বোজাটো মোৰ গাড়ীত থৈ দিবি। মোৰ গাড়ীত থৈ

দিয় যদি, তুঘণ্টাতকৈ বেছি সময় আৰু এইখিনি কঢ়িয়াব নালাগে।"

"সেই কথা ঠিক। পিছে—দিনে সেই তুঘণ্টাকৈ জ্ঞানৰ কিতাপৰ বোজা কঢ়িয়ালে আপোনাৰ নাম-যহ আৰু ধন-মান কিমান বাঢ়িব ক'বনে?" বীৰবদনে পণ্ডিতক ঘূৰাই ধৰিলে।

"হয়—তো বাঢ়িব। পিছে কিতাপৰ বোজাটো বৰ গধুৰ হোৱা যেন পোৱা যদি, তুমি কমাই দিব পাৰা। নাইবা, কিতাপৰ বোজাটো মূৰৰপৰা নমাই থৈ, জিৰণিও ল'ব পাৰা। কিন্তু এটা কথা মনত ৰাখিবা, যিটো গধুৰ বোজা তুমি মূৰৰ ওপৰত লৈ কঢ়িয়াই ফুৰিছা, সেই একেটা বোজাকে, বা ততোকৈ অধিক বোজা মই মোৰ মূৰৰ ভিতৰত লৈ দিনে-নিশাই কঢ়িয়াই ফুৰিছোঁ। এতিয়া তুমিয়েই ভাবি চোৱা—কোনটো বেছি গধুৰ। তোমাৰ তেও ৰেহাই আছে, মোৰ কিন্তু—টোপনিয়াই থকা অৱস্থাতো সেই শিলতকৈয়ো গধুৰ বোজা মূৰৰ ভিতৰতে থাকে। মই দিনে-নিশাই সেই-বোৰ গৰু ছাগলীয়ে ঘাঁহ-খেৰ পাগুলা দি পাগুলি থাকোঁ। এতিয়া তুমিয়েই বিচাৰ কৰাঁ, মই তোমাৰ ওপৰত কিবা অন্যায়-অবিচাৰ কৰিছোনে?" পাঁজৰখহা যেন হৈ পেৰিশাস্ত্ৰীয়ে সংহৰি ক'লে।

কেতিয়া কোন কথা কেনেকৈ ক'ব লাগে, কি দেওৰ কি পূজা যে দিব লাগে, পেৰিশাস্ত্ৰীয়ে যে সেই কথাৰ কিটিপ ভালকৈ আয়ত্ত কৰিছিল, বীৰবদনেও নুবুজাকৈ নাথাকিল। পণ্ডিতৰ মুঠিৰপৰা সহজে সৰকি যোৱা যে সম্ভৱ নহয়, সেই কথা উপলব্ধি কৰি বীৰবদনে ক'লে, "মই মোৰ ভুল বুজি পাইছোঁ। মোক এইবাৰলৈ মাফকে কৰি দিয়ক দৌতা।"

শিৰ ফুটা পণ্ডিতে শিৰ চাই টোকৰ মাৰি বীৰবদনক শিয়ালৰ শিং দেখুৱালে।

স্বৰ্ণ-উপত্যকা

১

সোণৰ প্ৰতিমাক ইহুৰাবলৈ ৰজাই পুৰস্কাৰ ঘোষণা কৰিলে। পুৰস্কাৰৰ লোভত সোণৰ সেই প্ৰতিমাক ইঁহুৱাবলৈ কত আহিল কত গ'ল, কিন্তু সকলো পানীৰ ঔ টেঙা হ'ল। আৰু তাৰ পাছত আহিল এজন তান্ত্ৰিক। তান্ত্ৰিকৰ পৰামৰ্শমতে, সোণৰ প্ৰতিমাৰ মুখত ইাঁহি ফুটাই তুলিবলৈ হ'লে ৰজাই সাত দিন-সাত-নিশা চৰা লঘোন দিব লাগিব। আনকি পানীও ছুব নোৱাৰিব। এই প্ৰস্তাৱ শুনি ৰজাৰ মনৰপৰা এই প্ৰতিমাক জীয়াই তুলি বিয়া কৰোৱাৰ আশা কফুৰৰ দৰে উৰি গ'ল। কিন্তু পাছত তেওঁ কঁকালত তাগজৰ তোৰোলা বান্ধি তান্ত্ৰিকৰ প্ৰস্তাৱত সন্মত হ'ল। আৰু তাৰ পাছত...

সোণৰ প্ৰতিমাত প্ৰাণ সঞ্চাৰ হ'লে যে ৰজাই সেই প্ৰতিমাক বিয়া কৰাব, সেই কথাটি ভাবি চৰা লঘোনীয়া ৰজাই নিজৰ টিকাত নিজেই এটি চৰা চাপৰ মাৰি ইাঁহি উঠিল। তেওঁ ভাবি থাকিল ঃ স্বৰ্ণ-উপত্যকা নামটো এনেয়ে হোৱা নাই। এই উপত্যকাত মোণে মোণে সোণ আছে। কিন্তু ক'ত আছে—একমাত্ৰ এই সোণৰ প্ৰতিমাক জীয়াই তুলিব পৰা হ'লেহে পোনে পোনে জানিব পৰা হ'ব।

মনোজ দাস



সেইদেখি, যম-যাতনা সহিও, মোণে মোণে সোণ পোৱাৰ আশাত, মৰিলেও মৰ কামোৰ নেৰি, ৰজাই সাতদিন সাত-নিশা চৰা-লঘোনেৰেই পাৰ কৰি দিলে।

আৰু আঠ দিনৰ দিনা ধলপুৱাৰ পৰতে গাত লৰণু সানি, গা ধোৱাই, ৰজাক নতুন সাজ-পাৰ আ-অলংকাৰ পিন্ধোৱা হ'ল।

ৰজাক সজাই-পৰাই লৈ তান্ত্ৰিকে লঘোনীয়া মন্ত্ৰী আৰু পণ্ডিতবৰ্গৰ উদ্দেশ্যে ক'লে, 'এতিয়া ৰজাক মই সোণৰ সেই প্ৰতিমা থকা গুহালৈ লৈ যাম। তাত সোণৰ প্ৰতিমাৰ আগত, তেওঁ উপবাস ভংগ কৰিব লাগিব। আপোনালোক এতিয়া নিজ নিজ ঘৰলৈ যাওক, আৰু খোৱা-লোৱা কৰকগৈ। মই এতিয়া গুহাৰ ভিতৰত তপস্যা কৰিবলৈ বহিম, মই যে কিমান দিন, কিমান যুগ, কিমান কালৰ বাবে তপস্যাত বহিম, মই নিজেও ক'ব নোৱাৰিম। পিছে—আপোনালোকে—আৱশ্যক হ'লে মোক চাই আহিবগৈ পাৰিব। আৰু আপোনালোকক কৈ থওঁ, ৰজাৰ লগত এতিয়াৰপৰা আপোনালোকে মিলা-জুলা নকৰিব, তেওঁৰ কাষলৈ মুঠতে নাহিবই। কিয়নো, মই ৰজাৰ ওপৰত এতিয়া মন্ত্ৰ প্ৰয়োগ কৰিম। যিজন ৰজাৰ যিমান ওচৰত থাকিব, যিমান বেছিকৈ হাল-লগ কৰিব, সেইজনৰ চাউল সিমানেই সোনকালেকৈ টুটিব। যদি কোনোবাই সোনকালে সিপাৰ পাবগৈ বিচাৰে, তেওঁ ৰজাৰ আশে-কাষে ঘূৰি-পকি মৰিবৰ বাঁহ গলত আঁৰি ল'ব পাৰে।"

খোজ কঢ়াৰ প্ৰশ্নই নুঠে, ৰজাৰ গাত বহি থকাৰ শক্তিকণো নাছিল। দেহৰক্ষীহঁতে ৰজাক দোলাৰে কঢ়িয়াই সেই গুহালৈ লৈ গ'ল সোণৰ প্ৰতিমাৰ ওচৰলৈ।

তান্ত্ৰিকৰ ভিতৰি ভিতৰি হাঁহি উঠিল ৰজাৰ লৰবাং-তৰবাং অৱস্থা দেখি। কিন্তু মুখেৰে ক'লে, "এয়া! আৰু মাত্ৰ এটি দিন! আৰু মাত্ৰ এটি দিনৰ কষ্টই

আপোনাক চিৰটিদিনৰ বাবে আনি দিব অময়া সুখ! ইমান দিন কষ্ট কৰিলে, আৰু মাত্ৰ এটি দিনৰ কষ্টকণ সহিব নোৱাৰিবনে মহাৰাজ?"

এই কথাৰ উত্তৰ দিয়াৰ ক্ষমতাকণো ৰজাৰ নাছিল। তেওঁ আনকি মূৰ দাঙি চাবও নোৱাৰিলে। চকু মুদি পৰি থাকিল।

ইতিমধ্যে ৰজাৰ খাদ্য-সামগ্ৰী লৈ অহা হৈছিল। যেনেবোৰ খাদ্য ৰজাই ভাল পায়, তেনেবোৰ খাদ্য গুহাৰ দুৱাৰমুখত সজাই থৈ, লৈ অহাহঁত তান্ত্ৰিকৰ শিষ্য-হঁতৰ নিৰ্দেশমতে দপাটকৈ গুচি গ'ল।

কিন্তু ইমানবোৰ লোভলগা খাদ্য দেখিও ৰজাই চকু মুদি দিলে। তেওঁ ভাবিলে ঃ তান্ত্ৰিকটোৱে মোক খাবলৈ দিবনে? তথাপি তেওঁ এপদ খাদ্য চাকি চোৱাৰ মনেৰে হাতখন বঢ়াই দিয়াৰ লগে লগে তান্ত্ৰিকে কৈ উঠিল, "মহাৰাজ, জীৱনকাল ধৰিয়েই তো খাই আহিছে, এতিয়া খোৱাৰ বাবে ব্যস্ত নহ'ব। মনত ৰাখিব, আপুনি এতিয়া সাফল্যৰ দুৱাৰ-ডলিত। সৌৱা-চাওক, এটা গাঁত দেখিছেই নিশ্চয়। আঁতৰৰপৰা সেই গাঁতটোক বৰ সৰু যেন লাগিলেইও সেই ফুটাটোৰ মাজেদি অতি সহজেই সোমাই যাব পাৰি। আৰু, অলপ কষ্ট কৰি সেই গাঁতটোৰ মাজেদি গ'লেই—বচ্! সাফল্য আপোনাৰ হাতৰ মুঠিত। এই কামফেৰা

কৰি পেলালেই হৈ গ'ল, তেতিয়া আপুনি হেঁপাহ পলুৱাই যিহকে ইচ্ছা তিহকে খাব পাৰিব। কথা মাথোন সিমানেই নহয়, সোণৰ প্ৰতিমাও জীৱন্ত হৈ উঠিব আৰু আপুনি বিয়াও কৰাব পাৰিব।"

"পাৰিমনে? পাৰিমনে মই বিয়া কৰাব?" লেকাত লগা ৰজাই লাজ-কাষ এৰি লপলপকৰে কৈ উঠিল।

ৰজাক লপা-থপা দিবলৈ মন গ'ল, যদিও মুখেৰে তান্ত্ৰিকে ক'লে, "পাৰিব, মহাৰাজ! কিন্তু এটা কথা। ইমানখিনি পোছাক-পাতি পিন্ধি থকা অৱস্থাত তো আপুনি সেই গাঁতটোত সোমাব নোৱাৰিব। আৰু কি বোলেনে—তদুপৰি……"

"তদুপৰি—কি? গাঁতৰ ভিতৰত সোমোৱাৰ লগত পোছাক-পাতিৰ সম্পৰ্ক কি? লাগিলে মই পোছাক-পাতি নিপিন্ধাকৈয়েই সোমাম।" ৰজাই ক'লে।

"মহাৰাজ! আৰু সামান্য সময়ৰ অন্তত আপুনি যে কিমান ঐশ্বৰ্য্যৰ অধিকাৰী হ'ব, সেই কথা ভাবিলেও মোৰ ভবৰি উঠে। এই সৌভাগ্য মোৰ হোৱাহেঁতেন — পোছাক-পাতিৰ কথা বাদেই দিয়ক, মই—লাগিলে মোৰ গাৰ ছালখনো বখলিয়াই দিলোহেঁতেন।"

তোমাৰ পাতলিত পৰিছোঁ যেতিয়া তুমি যে কৰাঁ সেই—বুলি ভাবি, ৰজাই তেওঁৰ পোছাক-পাতি সোলোকাই থ'বলৈ ৰাজি হ'ল। তাৰ পাছত তান্ত্ৰিকে আৰু তাৰ শিষ্যইঁতে মিলি ৰজাৰ গাত থকা অলংকাৰ-পাতিও সোলোকাই ল'লে। আৰু তাৰ' পাছত সিহঁতে ৰজাক সেই গাঁতটোৰ কাষ চপালে। ৰজাই চিঁচিঁয়াই ক'লে, "মই দেখোন গাঁতটোৰ ভিতৰত এন্ধাৰ বিনে একো দেখা নাই। এই গাঁতটোৰ কোনো ফালে পোহৰৰ চিন-মোকামো নাই দেখোন!"

তান্ত্ৰিকে ৰজাক গাঁতটোৰ ফালে লাহেকৈ ঠেলা মাৰি দি ক'লে, "মহাৰাজ,

এতিয়া এন্ধাৰ যেন লাগিলেও পাছত চব ঠিক হৈ যাব।"

"গাঁতত সোমাবলৈ ইমান খৰখেদা কিহৰ? মই কেতিয়া সোমাব লাগিবনো?" ৰজাই তান্ত্ৰিকক সুধিলে।

"এইবোৰ ধীৰে-সুস্থিৰে কৰিব লাগে। পূজা-টুজা সামৰাৰ পাছত খবৰ দিম বাৰু আপোনাক।" তান্ত্ৰিকে ক'লে।

আৰু পাছ মুহূৰ্ত্ততে তান্ত্ৰিকে ৰজাৰ সাজ-পাৰখিনি পিন্ধি ল'লে, ৰাজমুকুট মূৰত ল'লে। তাৰ পাছত চিঞৰি হাঁহি হাঁহি ক'লে, "মহাৰাজ! পূজা হৈ গ'ল!"

"তেনেহ'লে মোক মোৰ খোৰাবস্তুখিনি দিয়া।" অতি আগ্ৰহৰে ৰজাই ক'লে।

তান্ত্ৰিকে সেই গাঁতৰ ভিতৰলৈ জুমি চালে। আৰু ৰজাই তান্ত্ৰিকৰ মূৰত ৰাজমুকুট দেখি অবাক হৈ সুধিলে, "কথানো কি! তুমি কোন?"

"মই—" সাগৰ সংকাশ কণ্ঠেৰে তান্ত্ৰিকে ৰজাক ক'লে, "চিনি পোৱা নাই? মই হ'লোঁ চণ্ডমাৰ্তণ্ড মহাৰাজ!"

"তুমিয়েই যদি চণ্ডমাৰ্তণ্ড মহাৰাজ, মইনো কোন?" ৰজাই সুধিলে।

"তুমি হ'বা এই অন্ধকাৰৰ তান্ত্ৰিক!" তান্ত্ৰিকে হাঃ হাঃ কৈ হাঁহি উঠি ক'লে।

"মই তন্ত্ৰ-মন্ত্ৰ একো নাজানো। আৰু জানিবলৈকো নিবিচাৰোঁ। মই ৰজা হৈ আছিলোঁ, ৰজা হৈয়েই থাকিম, আৰু ৰজা হৈ থাকিবলৈ বিচাৰোঁ।" ৰজাই ক'লে।

"ঠিক আছে, হৈ থাকিবা। পিছে— ৰাজপ্ৰাসাদৰ চাবিপাত ক'ত লুকাই থৈছা কোৱা। তুমি চাবিপাতৰ সন্ধান দিয়া যদি—মই তোমাক খাদ্য, পানীয় দিম, আৰু গাঁতৰ ভিতৰত অলপ পোহৰৰো ব্যৱস্থা কৰি দিম।" তান্ত্ৰিকে ক'লে।

"তোমাৰ দৰে শ কোৱা শগুণ এটাক মই আৰু কোনো প্ৰকাৰৰ সহায় নকৰোঁ।" ৰজাই চিয়ঁৰি চিয়ঁৰি ক'লে।

তেতিয়া শিষ্যকেইটামানে তান্ত্ৰিকক

ৰজাৰ খোৰাবস্তুখিনি আনি নিলে আৰু তান্ত্রিকে ক্ষুধার্ত ৰজাৰ আগত খাবলৈ ধৰিলে। ৰজাই কাকুবাদ কৰি ক'লে, "মোক অলপমান দিয়া, মোৰ বৰ ভোক।"

তান্ত্রিকে ৰজাৰ হাতত লাড়ু এটা দিলে আৰু ক'লে, "তুমি যদি চাবিপাতৰ সা-সন্ধান দিয়া, তোমাক তোমাৰ ইচ্ছা-মতে খাদ্য দিয়া হ'ব। যিমান দিন সেই চাবিপাত নিদিবা, দিনে মাত্র এটাকৈ লাড়ু পাবা। হ'বনে?"

"আৰু এই চাবিপাতৰ সন্ধান দিলে তুমি চাগে' এই এটা লাড়ুও নিদিবা, আৰু মোক মাৰি পেলাবা। মই এবাৰ তোমাক বিশ্বাস কৰি যি মূৰ্খামী কৰিলোঁ, সেই মূৰ্খামী দুনাই নকৰোঁ।" এই বুলি কৈ, ৰজাই লাড়ুটো মুখত ভৰাই দিলে।

*

সেই বিৰাট তৰমুজটো খণ্ড-বিখণ্ড হৈ যোৱাৰ অন্তত সাধু আৰু বিনন্দ অৰণ্যৰ আন এক প্রান্তলৈ গুচি গ'ল।

সাধুৱে বিনন্দক ক'লে, "সৌৱা চোৱাঁ! পৰ্বতৰ সিপাৰে বিচিত্র কিবা থকা যেন লাগিছে। নহয়নে বাৰু? কিন্তু এই দুৰধিগম্য পৰ্বত পাৰ হোৱাটো প্রায় অসম্ভৱ কাৰ্য্য। পিছে—সোণৰ প্রতিমাক জীৱন্ত কৰি তুলিবলৈ হ'লে—প্রাণ সঞ্চাৰৰ বাবে হাজাৰ কষ্ট কৰি হ'লেও পৰ্বতৰ সিপাৰ পাবৈগে লাগিবই।"

বিনন্দই ক'লে, "জ্ঞানভূমিৰ ৰজাৰ-পৰা মই অদৃশ্য হোৱাৰ কৌশল আয়ত্ত কৰিলোঁ। ইচ্ছা হ'লে মই অদৃশ্য অৱস্থাত পৰ্বতৰ সিপাৰ পাবগৈ পাৰোঁ।"

"জ্ঞানভূমিৰ ৰজাৰপৰা শিকি অহা কৌশল কেৱল মনুষ্য সমাজৰ মাজতে সীমাবদ্ধ থাকিব। তুমি য'লৈকে যাবলৈ ওলাইছা, তাত মনুষ্য-সমাজ নাই। তাত থকাহঁত দেখাত মানুহৰ দৰে হ'লেও সিহঁত প্রকৃতপক্ষে মানুহ নহয়।"

"হে মহাত্মা!" বিনন্দই সাধুৰ চৰণত

ধৰি ক'লে, "যদি আপুনি মোক মোৰ কৰ্তব্যকৰ্মত সহায় নকৰে, তেনেহ'লে নিশ্চয় মই ব্যৰ্থ হ'ম।"

"চিন্তা নকৰিবা, কৰিম সহায়।" এই বুলি কৈ, সাধু গৰাকীয়ে বিনন্দৰ হাতত ধৰি পৰ্বতলৈ বুলি খোজ ল'লে।

আৰু সাধুৰে হাতত ধৰাৰ লগে লগেই বিনন্দৰ বোধ হ'ল—যেনিবা তাৰ দেহ চৰাইৰ পাখিৰ দৰে ভাৰহীন হৈ পৰিছে! সেয়া আছিল এক আশ্চৰ্য্য অনুভূতি!

সাধুৰ হাতত ধৰি কিমান দিন কিমান ৰাতি যে খোজ কাঢ়ি থাকিল, বিনন্দই সেই হিচাপ কৰিব নোৱাৰিলে। সি মাজে-মধ্যে সূৰ্য্যোদয় বা সূৰ্য্যাস্ত হোৱা অনুভৱ কৰিছিল, মাজে-মধ্যে বিচিত্ৰ বিচিত্ৰ দৃশ্যবোৰ তাৰ চকুৰ আগত ভাহি উঠিছিল। বিনন্দই কিছুমান বিচিত্ৰ তালগছ দেখা পাই সাধুক কোৱাত সাধুৰে ক'লে, "এই যে তালগছবিলাক দেখিছা, ইমান আকাশলংঘা, ইমান ওখ, সদায় এইবোৰ ইমান ওখ হৈ নাথাকে। স্বৰ্গৰ দেৱকোঁৱৰসকলে যাতে সহজেই এই তালৰ ফল টুঙি ল'ব পাৰে, তাৰ বাবে পুৱাৰ ফালে তালগছবোৰ ওখ হয়, তাৰ পাছত আকৌ চুটি হৈ পৰে।"

আৰু লগে লগে বিনন্দই সেই আকাশ-স্পৰ্শী তালগছবিলাক সৰু হৈ যোৱা দেখি স্তব্ধ স্থিৰ দৃষ্টিৰে সেই পিনে পলকহীনভাৱে চাই থাকিল···চায়েই থাকিল।"

সাধুৰে পুনৰ ক'লে, "আমি এতিয়াও মানৱ সমাজৰ সীমাৰ মাজত আছোঁ।" এই অঞ্চল হ'ল উত্তম জীৱনযাপনকাৰী-সকলৰ বাসস্থান। অলপ পাছতেই তেওঁলোকক তুমি দেখা পাবা।"

এনেতে হঠাৎ ক'ৰবাৰপৰা এক বিচিত্ৰ শব্দ উঠিল। আৰু বিনন্দই পিছফাললৈ ঘূৰি চাই এক বিচিত্ৰ ভয়াবহ দৃশ্য দেখি থমকি থিয় হ'ল। [অহা সংখ্যাত

পতিহা আৰু প্ৰতিজ্ঞা

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, মানুহে প্ৰতিজ্ঞা কৰে, প্ৰতিজ্ঞা কৰি কিছুখিনি পৰিপূৰণ কৰে, কিছুখিনি কৰিম বুলি আগ-যোগ কৰে; কিন্তু ভালেখিনি আধকৰা হৈ থাকি যায়। প্ৰতিজ্ঞা ল'লেও পতিহা পূৰণ নহয়,—ঘাইকৈ ধৈৰ্য্যৰ অভাৱত। মই তোমাক এতিয়া ৰাজকুঁৱৰী নন্দিনীৰ কাহিনী ক'ম। ৰাজকুঁৱৰী নন্দিনীৰ সেই কাহিনীয়ে দাঙি ধৰিব মোৰ এই বক্তব্যৰ সত্যতাক।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে :

অশ্বপুৰীৰ ৰাজকুঁৱৰী নন্দিনী আছিল

'বেতাল-কথা'



অসাধাৰণ ৰূপৱতী। নন্দিনীৰ ৰূপমুগ্ধ বহুতো ৰাজকোঁৱৰে নন্দিনীক পত্নীৰূপে পাবলৈ অহোপুৰুষাৰ্থ কৰিছিল। কিন্তু ৰাজকুঁৱৰী নন্দিনীয়ে বিজয়পুৰৰ যুৱৰাজ বসন্তসেনক পতিৰূপে বৰণ কৰিবলৈ মন মেলিলে। এই যুৱৰাজ বসন্তসেন কেৱল ৰূপৱানেই নাছিল, আছিল গুণৱান বীৰ।

নন্দিনীৰ পিতৃদেৱ ৰজা কীৰ্তিকান্তদেৱে যেতিয়া নন্দিনীৰ বিবাহৰ বাবে আগ-যোগ কৰি আছিল, তেতিয়া নন্দিনীয়ে তাইৰ পিতৃক মনৰ কথা খুলি-মেলি ক'লে। জীয়েকৰ কথা শুনি ৰজা কীৰ্তিকান্ত চিন্তাত পৰিল। কিয়নো, নন্দিনীক বিয়া কৰাবলৈ অন্যান্য ৰাজকোঁৱৰবো যথেষ্ট আগ্ৰহী। সেইবোৰ ৰাজকোঁৱৰৰ দেশ-বিলাকো বৰ সৰু দেশ নহয়। তুলনা-মূলকভাৱে বিজয়পুৰ এখন নগণ্য ৰাজ্য। সেইদেখি, বিভিন্ন কথা ভাবি, ৰজা কীৰ্তিকান্তই জীয়েকক পাত্ৰস্থ কৰিবলৈ স্বয়ম্বৰ সভা পতাটোকে স্থিৰ কৰিলে।

ৰজা কীৰ্তিকান্তই এই সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছদিনা ৰথত উঠি, ৰাজকুঁৱৰী নন্দিনী বনবিহাৰ কৰিবলৈ ওলাল। নন্দিনীয়ে কাকো লগত নল'লে। গৈ গৈ নন্দিনীয়ে অটব্য অৰণ্য পালেগৈ।

এই বনৰ ভিতৰত আছিল প্ৰতাপ নামৰ এক প্ৰতাপী ডকাইত। প্ৰতাপে ৰাজকুঁৱৰীক ৰথৰপৰা নমাই আনিলে।

নন্দিনীয়ে সুধিলে, "আপুনি কোন? এই অটব্য অৰণ্যত আছেহি কিয়?"

প্ৰতাপে ক'লে, "হে পৰমাসুন্দৰী! মোৰ নাম প্ৰতাপ। মই ডকাইতি কৰি জীৱিকা নিৰ্বাহ কৰোঁ। মই আপোনাৰ সৌন্দৰ্য্যমুগ্ধ। যদি আপোনাৰ আপত্তি নাই, মই আপোনাক বিয়া কৰাম আৰু ডকাইতি এৰি দিম। মই আপোনাৰ নাম-ধাম নোসোধোঁ, পিছে — চিনাকি দিলে নিশ্চয় ভাল পাম।"

বিস্মিতা নন্দিনীয়ে ক'লে, "মই

অশ্বপুৰীৰ ৰাজকুঁৱৰী। কিন্তু জানি-বুজি এটা ডকাইতক বিবাহ কৰাৰ প্ৰশ্নই নুঠে। পিছে—যদি আপোনাক লাগে—মোৰ গাত যিমানখিনি আ-অলংকাৰ আছে, আপুনি ল'ব পাৰে। তাৰ পাছত মই ৰাজধানীলৈ গুচি যাম।"

প্ৰতাপে নম্ৰতাৰে নন্দিনীক ক'লে, "ৰাজকুঁৱৰী, মই নিজেই আপোনাক ৰাজধানীলৈ লৈ যোৱাৰ দায়িত্ব লৈছোঁ।"

নন্দিনীয়ে প্ৰতাপৰ সৈতে ৰাজধানীলৈ বুলি ৰাওণা কৰিলে। হঠাৎ এটা বিচিত্ৰ আৰু বিকট শব্দ উঠিল। আৰু এই ভীতিকৰ শব্দটো উঠাৰ লগে লগেই প্ৰতাপ একে চোঁচাই পলাই গ'ল।

লগে লগে লম্বকৰ্ণ নামৰ বিকটাকাৰ ৰাক্ষস এটাই তাৰ মূলাৰ দৰে দাঁতবোৰ আলুৰে সৈতে নিকটাই ঘেক্ ঘেক্ কৰি ক'লে, "ৰূপহী! তোমাৰ ৰূপে মোৰ দৰে ৰাওমুৰাকো বাঁ-ভাকু কৰি পেলালে। তোমাৰ ৰূপ চাই ভাল পাই তোমাক বিয়া কৰাবলৈ ৰাপ হৈছে। তুমিনো কোন?"

"মই হ'লোঁ অশ্বপুৰৰ ৰাজকুঁৱৰী। দুৰ্ভাগ্য মোৰ—হঠাৎ এই—ভুল কৰি অটব্য অৰণ্য আহি পাইছোঁহি।"

"চোৱা ৰাজকুঁৱৰী, একৰ দুৰ্ভাগ্য হ'ল আনৰ সৌভাগ্য। কাৰোবাৰ সৰ্বনাহ, কাৰোবাৰ পুহমাহ! শুনা, তোমাক পালোঁৱেই যেতিয়া, নেৰিছোঁ আৰু।



তোমাৰ কাৰণে মই এই মুহূৰ্ততে ৰাক্ষস গুচি মানুহৰ ৰূপ ল'ম আৰু চুবুৰীয়া ৰাজ্য কেখনমান জয় কৰি—তোমাক মোৰ মহাৰাণী পাতি ল'ম। কেনে মজা হ'ব!" এই বুলি কৈয়েই, নন্দিনীৰ চকুৰ আগতেই ৰাক্ষস লম্বকৰ্ণ এজন অতি সুন্দৰ যুৱকলৈ ৰূপান্তৰিত হ'ল।

নন্দিনীয়ে ক'লে, "হে ৰাক্ষস, তুমি মন কৰিলে এই মুহূৰ্ততে মোক মাৰি খাই পেলাব পাৰা, তথাপি মই তোমাক একোপধ্যে বিবাহ নকৰাওঁ।"

ৰাক্ষসটোৱে ক্ষীণ মাতেৰে ক'লে, "মোক বিয়া নকৰালেও মই তোমাক খ'ই নেপেলাওঁ, কিয়নো, মই তোমাক ভাল পাই পেলাইছোঁ। তুমি যোৱা!"

নন্দিনী পুনৰ আগ বাঢ়ি গৈ থাকিল। গৈ গৈ, এঠাইত এজোপা বিৰাট গছৰ কাষত জুপুৰী ঘৰ এটা আৰু তপস্যা কৰি থকা মানুহ এজনকো তাত দেখা পাই নন্দিনী তাত ৰ'ল। তাই ভাবিলেঃ এই তপস্বীয়ে মোক নিশ্চয় সহায় কৰিব ৰাজধানীলৈ যাবলৈ।

নন্দিনীৰ খোজৰ শব্দ উঠাত তপস্বীয়ে চকু মেলি চালে, আৰু প্ৰশ্ন কৰিলে, "হে সুন্দৰী! তুমিনো কোন?"

নন্দিনী থোৰতে সকলো কথা কৈ, তাইৰ লগ লাগি ৰাজধানীলৈ যাবলৈ তথা তাইক সহায় কৰিবলৈ ক'লে তপস্বীক।

তপস্বীয়ে ক'লে, "হে ৰাজকুঁৱৰী, মই হ'লোঁ—অবনিকদেশৰ ৰজা গোৱৰ্ধন। জীৱনৰ ওপৰত বীতস্পৃহ হৈহে মই সন্ন্যাসী হৈছিলোঁ। তোমাক দেখাৰ পাছত আকৌ জীৱনৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছোঁ। তোমাৰ যদি মত আছে, তোমাক বিবাহ কৰাই পুনৰ ৰাজধানীলৈ গৈ মই আনন্দ মনেৰে দেশ শাসন কৰি থাকিম।"

তপস্বীৰ এই কথাৰ উত্তৰত নন্দিনীয়ে ক'লে, "আপুনি তপস্যা কৰি আছিল। আপোনাৰ তপস্যা ভংগ কৰাটো মোৰ

অনুচিত কাৰ্য্য হৈছে। কিন্তু তথাপি কওঁ, আপোনাৰ মনৰ এই ইচ্ছা মই কদাপি পূৰণ কৰিব নোৱাৰিম। মই আপোনাক বিবাহ কৰাবলৈ অক্ষম।"

ঠিক সেই মুহূৰ্তত ঘোঁৰাৰ শব্দ উঠিল। আৰু চাওঁতে চাওঁতে ঘোঁৰা চেঁকুৱাই তীৰবেগে আহি থকা যুৱক এজন তাত ঘপক্‌কৈ ৰ'লহি।

ঘোঁৰাৰপৰা ঘপক্‌কৈ নামি, সেই সাধু গোবৰ্ধনক প্ৰণাম কৰি যুৱকে ক'লে, "মই শৰৎচন্দ্ৰিকা দেশৰ ৰজা বিক্ৰমসিংহ। চিকাৰলৈ ওলাই ক্লান্ত আৰু তৃষ্ণাৰ্ত হৈ আপোনাৰ ওচৰলৈ আহিছোঁ।"

বিক্ৰমসিংহই এই কথাখিনি কৈ থাকোঁতেই নন্দিনীলৈ চাই আছিল। বিক্ৰমসিংহই নন্দিনীক সুধিলে, "আ— আপুনি—তুমি— তুমি বাৰু অশ্বপুৰীৰ ৰাজকুঁৱৰী নন্দিনী নহয় জানো?"

নন্দিনীয়ে মূৰ দুপিয়ালে।

বিক্ৰমসিংহই পুনৰ ক'লে, "তোমাক ইয়াত দেখা পাম—এইয়া মোৰ কল্পনায়ো চুকি নোপোৱা কথা। মোৰ কি যে সৌভাগ্য! কিন্তু—তুমি ইয়ালৈ কিয় আহিছিলা কোৱাচোন?"

নন্দিনীয়ে সকলো কথা সবিস্তাৰে ক'লে বিক্ৰমসিংহক।

বিক্ৰমে ক'লে, "তোমাক নিৰাপদে ৰাজধানীলৈ লৈ যোৱাৰ দায়িত্ব মই



নিজেই গ্ৰহণ কৰিলোঁ।"

বিক্ৰমসিংহই নন্দিনীক তেওঁৰ পিছ-ফালে ঘোঁৰাৰ পিঠিত বহুৱাই লৈ ৰাজধানীলৈ বুলি ৰাওনা কৰিলে।

বিক্ৰমসিংহই নন্দিনীক প্ৰথমতে নিজৰ প্ৰাসাদলৈ লৈ গ'ল, আৰু অন্তেষপুৰৰ সুদৃশ্য কক্ষ এটাত জিৰণি ল'বলৈ ক'লে। সেই কক্ষত নন্দিনীয়ে বিৰাট আকাৰৰ চিত্ৰ এখন আঁৰি থোৱা দেখা পাই বিস্মিত হ'ল; চিত্ৰখন আছিল নন্দিনীৰ চিত্ৰ। নিজৰ চিত্ৰ আন ৰজা এগৰাকীৰ অন্তেষ-পুৰত দেখা পাই নন্দিনী হতবাক হ'ল।

নন্দিনীৰ চকু-মুখত বিপুল বিস্ময় লক্ষ্য কৰি বিক্ৰমসিংহই ক'লে, "নন্দিনী, বহু দিন ধৰি তোমাক বিবাহ কৰাৰ মোৰ মন। মোৰ মনৰ ইচ্ছা তোমাৰ দেউতাৰাক মই পত্ৰযোগে লিখিতভাৱে জনাইছিলোঁ। কিন্তু অদ্যাপি কোনো উত্তৰ তেওঁৰপৰা নাপালোঁ। তেওঁ যে মোৰ মনৰ ইচ্ছা পূৰণ কৰাত ৰাজী নহয়, সেই কথা স্পষ্ট। এতিয়া একমাত্ৰ পথ হ'ল—তোমাৰ দেউতাৰাক যুদ্ধত পৰাজিত কৰি তোমাক লৈ অহা। পিছে—সেয়া হ'ব এক আসুৰিক কাণ্ড।"

এই কথা শুনি নন্দিনীয়ে ক'লে, "মহাৰাজ! আন যিয়েই নকৰক, বিবাহ কেতিয়াও বলপূৰ্বক নকৰিব। আৰু মোৰ কথা যদি কয়—মই বিজয়পুৰৰ যুৱৰাজ বসন্তসেনক ভাল পাওঁ।"

অকস্মাৎ বিক্ৰমসিংহই ৰৌ ৰৌৱাই উঠি ক'লে, "হয়নে? তেনেহ'লে জানি থোৱা, তোমাক আৰু নেৰিছোঁ মই। তোমাক মই বিয়া কৰামেই কৰাম!"

বিক্ৰমসিংহৰ থিয় জাঁপ দেখি আৰু ধাউগেৰি শুনি নন্দিনীয়ে খিলখিলকৈ হাঁহি দিলে।

অবাক বিক্ৰমসিংহই নন্দিনীক সুধিলে, "তুমি—তেনেকৈ হাঁহিছানো কিয়?"

"এই প্ৰশ্নৰ উত্তৰ তোমাৰ প্ৰয়োজনীয়

বিষয় নহয়। পিছে—তুমি যদি সঁচাসঁচিকৈ মোক বলপূৰ্বক বিয়া কৰাব খুজিছাই, তেনেহ'লে — তুমি অৰণ্যৰপৰা দুৰ্দ্ধৰ্ষ ডকাইত প্ৰতাপক, লম্বকৰ্ণ নামৰ ৰাক্ষসক আৰু তপস্বী গোৱৰ্ধনক ইয়ালৈ লৈ আহাগৈ। যদি ডকাইত আৰু ৰাক্ষসক সন্মানিত কৰি গোৱৰ্ধনক কঠিন দণ্ড বিহি মোক বিয়া কৰাব পাৰা—কৰাম তোমাক বিয়া।" নন্দিনীয়ে ক'লে।

কেইমুহূৰ্তমানৰ নিৰৱতাৰ পাছত উগ্ৰ বিক্ৰমসিংহই কোমল কাটি নন্দিনীক ক'লে, "নন্দিনী, মোক ক্ষমা কৰা। তোমাক নিৰাপদে পঠোৱাৰ বন্দৱস্ত কৰিছোঁ।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, নন্দিনীয়ে বিক্ৰমসিংহক বিয়া কৰোৱাৰ চৰ্ত হিচাপে ডকাইত প্ৰতাপ আৰু সাধু গোৱৰ্ধনক দণ্ড বিহিবলৈ কৈছিল কিয়? অতি আচৰিত কথা. নন্দিনীৰ এই চৰ্তৰ কথা শুনিয়েই বিক্ৰমসিংহই নন্দিনীক সসন্মানে ৰজা কাৰ্তিকান্তৰ ৰাজধানীলৈ পঠাই দিলে। নন্দিনীৰ সেই হাঁহিৰেই বা ৰহস্য কি? মোৰ এইবোৰ প্ৰশ্নৰ উত্তৰ জনা সত্বেও যদি সঠিকৈ নোকোৱা, তেনেহ'লে জানিবা, তোমাৰ নাকৰ ওপৰত নহাত পানী।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "নন্দিনীৰ হাঁহিৰ ৰহস্য ইমানেই যে—ৰাজকুঁৱৰীয়ে বিয়া নকৰাব বুলি কোৱাত সেই ডকাইত আৰু ৰাক্ষসেও ৰাজকুঁৱৰীক এৰি দিছিল, কিন্তু সেই দুটাৰ তুলনাত ভীৰু বিক্ৰমসিংহই তেওঁক বন্দী কৰি থ'ব বুলি হুমিয়াইছিল দেখি তেওঁৰ হাঁহি উঠিছিল। প্ৰকৃততে, নন্দিনীৰ সেই হাঁহিয়েই আছিল দুৰ্বলচিতীয়া বিক্ৰমসিংহৰ জ্ঞানোদয়ৰ গুৰিকথা।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

পোলা-কটা

এদিন পৰ্বতীয়া মানুহ এজনে জমিদাৰ এগৰাকীক কিছুখিনি লতা-পাত আৰু গছৰ শিপা আনি দিলে আৰু জমিদাৰক ক'লে, "চাওক, মোৰ কথা যদি বিশ্বাস কৰো, এইবোৰ যদি আপুনি খুন্দনাত গুড়ি কৰি মৌৰে সৈতে খায়—জীৱনতো আৰু বেমাৰ-অজাৰ নহৈছে।"

জমিদাৰে এই পৰ্বতীয়া মানুহজনক এশ মুদ্ৰা দিবলৈ তেওঁৰ গোমস্তাক ক'লে।

গোমস্তাই নম্ৰভাৱে জমিদাৰক ক'লে, "তাক এশ মুদ্ৰা দিয়াৰ আগতে এইবোৰ লতা-পাত-শিপা আমাৰ পাৰিবাৰিক চিকিৎসকক দেখুৱাই ল'লে ভাল নহ'বনে ?"

গোমস্তাৰ কথাত জমিদাৰ ডাঙৰীয়া সন্মত হ'ল। চিকিৎসক কবিৰাজ ৰংগাচাৰ্য্য আহিল। আহি লতা-পাত-শিপাখিনি পৰীক্ষা কৰি তেওঁ ক'লে, "এইখিনি বেয়া বস্তু নহয়, ভালেই। কিন্তু—আপোনাৰ কোনো কামত নালাগিব।"

জমিদাৰে বিৰক্ত হৈ ক'লে, "মোৰ কামত নালাগিলে কি এই পৰ্বতীয়াৰ কামত লাগিব ?"

চিকিৎসক ৰংগাচাৰ্য্যই ইঁহাৰ নিচিনা কৰি ক'লে, "হাবিয়ে-বননিয়ে ঘূৰি ঘূৰি লতা-পাত-শিপা বুটলি আনি এশ মুদ্ৰাৰ প্ৰয়োজন কাৰ ? তাৰ নে আপোনাৰ ?"

এনে সুন্দৰ উপায়ে সঁচা কথাখিনি সংহৰি ক'ব পৰাৰ বাবে জমিদাৰে যেতিয়া ৰংগাচাৰ্য্যৰ শলাগ লৈছিল, তেতিয়া পৰ্বতীয়াই পোলা-কটাটোৰ দৰে পলাই পত্ৰং দিব ধৰিছিল।

নন্দ আৰু মৌৰ্য্য-৩

এসময়ত অপমানিত চাণক্যাই নন্দবংশ ধ্বংস কৰি চন্দ্ৰগুপ্তক মগধৰ সিংহাসনত অধিষ্ঠিত কৰিলে। চন্দ্ৰগুপ্তই চাণক্যক মহামন্ত্ৰীৰ বাব দিলে। চাণক্যই কৌশলেৰে সহায় কৰি পৰ্বতকো বধিলে।

পৰাজিত নন্দবংশীয়সকল সপৰিয়ালে-সবান্ধৱে পাটলিপুত্ৰলৈ গুচি গ'ল আৰু নন্দবংশীয়সকলে তেওঁলোকৰ ধন-সম্পদ আ-অলংকাৰ পাটলিপুত্ৰৰ সেই বিশ্বস্ত ব্যৱসায়ী চন্দনদাসৰ ওচৰলৈ লৈ গ'ল।



পৰ্বতকৰ পুত্ৰ মলয়কেতুও চাণক্যৰ চক্ৰান্তৰ চিকাৰ হৈছিল। নন্দ ৰজাৰ মন্ত্ৰী, ৰাক্ষস আদিয়ে পোনে পোনেই মলয়কেতুৰ ওচৰলৈ গৈ মলয়কেতুৰ সৈতে প্ৰগাঢ় বন্ধুত্ব স্থাপন কৰিলে।



ৰাক্ষসে নন্দবংশ ধ্বংসকাৰী চাণক্য আৰু চন্দ্ৰগুপ্তৰ বিৰুদ্ধে প্ৰতিশোধ গ্ৰহণ কৰাত প্ৰতিজ্ঞাবদ্ধ হ'ল। চাণক্যক তথা চন্দ্ৰগুপ্তকো বধ কৰিবলৈ নন্দৰ অন্যতম মন্ত্ৰী ৰাক্ষসে চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে যোগসূত্ৰ স্থাপন কৰিবলৈ ধৰিলে।

কিন্তু নন্দ-মন্ত্ৰী ৰাক্ষসৰ এইবোৰ কাৰ্য্য-কলাপৰ সন্ধেদ তীক্ষ্ণবুদ্ধি চাণক্যই নোপোৱাকৈ নাছিল। বুদ্ধিমান নন্দ-মন্ত্ৰী ৰাক্ষসক নিজৰ ফলীয়া কৰিবলৈ চাণক্যই এটি পৰিকল্পনা পাঙিলে।





পাটলিপুত্ৰৰ স্বৰ্ণ ব্যৱসায়ী চন্দনদাসক চাণক্যই ক'লে, "তুমি ৰাজদ্ৰোহী।" চন্দনদাসে ভয় খাই ক'লে, "মই তো ৰজাৰ বিৰুদ্ধে একো কৰানাই!" "ৰজাৰ শত্ৰু ৰাক্ষসৰ পৰিয়ালক আশ্ৰয় প্ৰদান ৰাজদ্ৰোহিতানহয়নে?" চাণক্যই সুধিলে।

"মোৰ বন্ধুৰ পুত্ৰ-পৰিবাৰ বিপদগ্ৰস্ত হ'লে মই আশ্ৰয় নিদিয়াকৈ থাকোঁ কেনেকৈ?" চন্দন দাসে ক'লে। চাণক্যই মনে মনে চন্দনদাসৰ এই গুণৰ শলাগ লৈয়ো মুখেৰে ক'লে, "সেই বাবেই তোমাক বন্দী কৰা হ'ব।"



এদিন চাণক্যই চন্দ্ৰগুপ্তক ক'লে, "মলয়-কেতু আৰু ৰাক্ষসৰ মাজত যেই-সেই প্ৰকাৰে বিৰোধৰ সৃষ্টি কৰিব লাগিব আৰু সিঁহতৰ সৈন্যবাহিনীক বিভক্ত কৰিব লাগিব। এই দুজনৰ মাজত বিৰোধ সৃষ্টি হোৱাৰ কথা এতিয়াৰে-পৰাই সুকৌশলে প্ৰচাৰ কৰিব লাগিব।"

চাণক্যৰ প্ৰস্তাৱ চন্দ্ৰগুপ্তই মানি ল'লে। তাৰ পাছত, দুয়োজনে মিলি এটা পৰি-কল্পনা কৰি দেশ জুৰি বসন্তোৎসৱৰ পতাৰ কথা সমগ্ৰ দেশত ঘোষণা কৰিলে।





কিন্তু চাণক্যই নগৰৰ প্ৰধান তোৰণৰ ওচৰত থিয় হৈ চিঞঁৰি কৈ থাকিল ঃ "দেশৰ অৱস্থা অতি বেয়া। এতিয়া দেশত কোনো উৎসৱ পতা অনুচিত, অনাৱশ্যক, একেবাৰে অপ্ৰয়োজনীয়।"

এই বিষয়ত আন কেইগৰাকীমান ৰজাই চন্দ্ৰগুপ্তৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিল। চন্দ্ৰগুপ্তই চাণক্যক ক'লে, "মলয়কেতু আৰু ৰাক্ষসে একেলগে আমাৰ ৰাজ্য আক্ৰমণ কৰিবলৈ সাজু হৈছে। এই সময়ত কোনো দেশত উৎসৱ পতটো উচিত কাৰ্য্য নহ'ব।"





প্ৰকাশ্য ৰাজসভাত চন্দ্ৰগুপ্তৰ সৈতে চাণক্যৰ বিবাদ-বিসম্বাদ আৰম্ভ হ'ল এই উৎসৱৰ কথাত। চন্দ্ৰগুপ্তই চাণক্যক ক'লে, "আপোনাতকৈ ৰাক্ষসৰ বুদ্ধি ঢেৰ বেছি।" "ভাল, মই এতিয়াৰেপৰাই আপোনাৰ মন্ত্ৰীত্বত ইস্তফা দিছোঁ।" এই বুলি কৈয়েই চাণক্য ৰজসভা এৰি ওলাই গ'ল! [অহা সংখ্যাত]

অসাধাৰণ-সাধাৰণ

মেৰপুৰত বিশ্বপতি কবিৰাজ নামৰ এজন বৈদ্য আছিল। বিশ্বপতিৰ ওচৰত কন্টক আৰু অন্টক নামৰ দুজন মানুহে কাম কৰিছিল। কন্টকৰ ধাৰণাশক্তি আছিল প্ৰখৰ। চড়ক প্ৰমুখ জগদ্বিখ্যাত প্ৰাচীন কালৰ ধন্বন্তৰিসকলে যিবোৰ লিপিবদ্ধ কৰি থৈ গৈছিল, সেইবোৰ কন্টকৰ কণ্ঠস্থ হৈ পৰিছিল। কন্টকৰ আয়ুৰ্বেদৰ জ্ঞান দেখি বিশ্বপতিয়ে তাৰ শলাগ লৈছিল ; কিন্তু ভিতৰি ভিতৰি এই কথা ভাবি ভয় কৰিছিল যে এদিন ই কন্টকেই তেওঁৰ ডিঙিৰো কন্টক হৈ উঠিব পাৰে। এই কন্টক বোলাটোৱে আনকি তেওঁতকৈয়ো অধিক নাম-যহ পাব পাৰে বেজালিত।

অন্টকে কিন্তু চিকিৎসাবিদ্যাৰ গ্ৰন্থ বৰ বেছি অধ্যয়ন কৰা নাছিল। কিন্তু সি তাৰ গুৰু বিশ্বপতিয়ে প্ৰতিদিন-প্ৰতিক্ষণ কেনেকৈ কি কৰে-নকৰে, কি দৰৱ দিয়ে-নিদিয়ে, কাক কি পথ্যা-পথ্য দিয়ে এই কথা মন কৰিছিল। অন্টকৰ এই অন্ধি-সন্ধি জনাৰ নিৰৱ প্ৰচেষ্টালৈকো বিশ্বপতিয়ে মন নকৰাকৈ নাছিল। তথাপি ভাবিছিল ঃ কেটামান কিটিপ জানিলেইবা, তাৰে সি আৰু ডাঙৰ বেজ বোলাব পাৰিবনে ? এয়া বেজালিৰ গজালিহে মাথোন।

কিছুকালৰ অন্তত, অন্টক-কন্টক দুয়ো শিকিবলগীয়াখিনি শিকি, বিশ্বপতিৰপৰা বিদায় লৈ, নিজ নিজ ঘৰলৈ গ'লগৈ।

তাৰ পাছত অন্টক-কন্টকে নিজ নিজ গাঁৱতে বেজালি কৰিবলৈ ধৰিলে।

কিছুদিনৰ অন্তত স্বৰ্ণপুৰ গাঁৱৰপৰা কঠিন বেমাৰত আক্ৰান্ত হৈ এজন ধনী

নিত্যানন্দ ভট্টাচাৰ্য্য

বেমাৰী বিশ্বপতিৰ ওচৰলৈ আহিল। স্বৰ্ণপুৰৰপৰা অহা শুনি বিশ্বপতিৰ মনত পৰিল তেওঁৰ দুই শিষ্য অণ্টক-কণ্টকৰ কথা।

বিশ্বপতিয়ে ধনী বেমাৰীজনক সিহঁতৰ কথা সোধাত ধনী বেমাৰীজনে ক'লে, "চাওক, অণ্টক কবিৰাজৰ যথেষ্ট নাম-ডাক হৈছে; কিন্তু কণ্টক কবিৰাজৰ অৱস্থা অতি দুখলগা। কণ্টক কবিৰাজে আনকি তাৰ পিতৃ সম্পত্তিখিনিও উৰাই দিলে। এতিয়া অৱস্থা বেয়া।"

এই কথা শুনি বিশ্বপতি বাস্তৱিকতে অবাক মানিলে। কয় কি এই মানুহজনে! ইমান চোকা শিষ্য কণ্টকৰ এনে অৱস্থা কেনেকৈ হ'ব? কিয় হ'ব? কথা কি — খৰচি মাৰি জানিবলৈ বিশ্বপতিয়ে নিজেই যেতিয়া কণ্টকৰ ঘৰ পালেগৈ, তেতিয়া কণ্টকে এজন বেমাৰীৰ সৈতে কথা পাতি আছিল। সিহঁতৰ কথাখিনি শুনিবৰ মনেৰে বিশ্বপতি কাণি-দুৱৰীয়াকৈ মাৰি থোৱা দুৱাৰখনৰ আঁৰত কাণ পাতি থিয় হৈ থাকিল।

কণ্টকে তেতিয়া বেমাৰীজনক খেচ-খেচাই কৈ আছিল, "তুমি কিয় ইমান তমোৰোল লগাইছাহে? দৰাচলতে তোমাৰ কোনো বেমাৰেই হোৱা নাই। তোমাৰ অতি সামান্য পানী লাগিছে। কেঁচা হালধি পানীৰে সিজাই সেই পানী দিনে দুই-তিনিবাৰকৈ খাই থাকিলেই হ'ব। এই কাৰণে কবিৰাজৰ ওচৰ চপাৰ দৰ্কাৰ নাই। ঘৰৰ বসিয়ালসকলেই এই দৰবৰ কৈ দিব পাৰে।"

বেমাৰীয়েও কণ্টকক শুদাই নেৰিলে। ক'লে "ডাবি-হুঁকিৰে বেমাৰ ভাল নহয় নহয়? কবিৰাজ এজনৰ কাষ চপা হয় দৰবৰ কাৰণেহে, ডাবি খোৱাৰ কাৰণে নহয়। এইবোৰ কথা মোৰ আইতায়ো ক'ব পাৰে দেখোন!" এই বুলি কৈ, বেমাৰী মানুহজন গুচি গ'ল।

লগে লগে বিশ্বপতি সোমাল। কণ্টকে

বিশ্বপতিক প্ৰণাম কৰিলে। ভৰিৰ ধূলা মূৰত ল'লে। বিশ্বপতিয়ে কণ্টকক বুকুত আঁকোৱালি ল'লে। তাৰ পাছত কণ্টকে তাৰ গুৰু বিশ্বপতিক ক'লে, "গুৰুদেৱ, বেমাৰ আৰু বেমাৰীৰ মাজত এই যে— বামুণ চাই দক্ষিণা গণক চাই ভোজনী বিধৰ ব্যৱস্থা-বন্দৱস্ত, মোৰদ্বাৰাই নহৈছে গুৰুদেৱ। মই যি কওঁ, প্ৰায় কোনো বেমাৰীয়েই নুশুনে-নামানে-নকৰে। মই কৰিবলৈ হাক দিয়া কামবোৰহে কৰে।"

বিশ্বপতিয়ে হুঁহাৰ নিচিনা কৰি ক'লে, "হয়নে—? পিছে—তোমাৰ অৱস্থায়েই যদি এনেকুৱা, অণ্টকৰ বা কেনেকুৱা?"

"অণ্টকৰ অৱস্থা খুব ভাল। শুনিছোঁ যে—দিনকে-দিন তাৰ বেমাৰীৰ সংখ্যা বাঢ়িছে।" কণ্টকে ক'লে।

"তেন্তে — তাকো অলপ চায়েই আহোঁগৈ। তুমিও যাবা যদি ব'লা মোৰ সৈতে।" বিশ্বপতিয়ে ক'লে।

বিশ্বপতি আৰু কণ্টক যেতিয়া অণ্টকৰ ঘৰ পালেগৈ' তেতিয়া তাত বহু সংখ্যক বেমাৰী বহি আছিল। এই বেমাৰী মানুহজনকে বিশ্বপতিয়ে কণ্টকৰ তাত দেখিছিল। অণ্টকে বেমাৰীজনক ক'লে, "ভাগ্য ভাল যে—এই শেষ মুহূৰ্ততো আহিছে মোৰ ওচৰত, নহ'লে আপোনাক বচোৱাৰ আৰু কোনো উপায়েই নাথাকিলহেঁতেন।" এই বুলি কৈ থাকোঁতে অণ্টকে হালধি আৰু চন্দন মিহলাই সেই প্ৰলেপ বেমাৰীৰ কপালত লগাই থাকিল আৰু ক'লে, "কথাতে বোলে—শৰীৰং ব্যাধি মন্দিৰম্। মানুহৰ বা যিকোনো প্ৰাণীৰ শৰীৰত ৰোগ-ব্যাধি হ'বই। কিন্তু সেই ব্যাধি শৰীৰৰ ভিতৰত পুহি ৰাখিব নালাগে। ঠিক আছে, একদম চিন্তা নকৰিব, সকলো ঠিক হৈ যাব।"

কথাখিনি আঁতৰত থাকি শুনি বিশ্বপতিয়ে কণ্টকক ক'লে, "দেখিলানে, বেমাৰীক কিমান যত্নৰে কপালত ঠাণ্ডা

প্ৰলেপ লগালে, মনতো কথাৰে প্ৰলেপ লগালে, আৰু বেমাৰীক সাহস যোগালে ? চিকিৎসাৰ এয়া এক ঘাই কথা।”

গুৰুৰ কথা শুনি অন্টক অবাক হ'ল। বিশ্বপতিয়ে পুনৰ কন্টকক ক'লে, “বুজিছা কন্টক, কিছুমানে অতি সামান্য অসুখ হ'লেও চিকিৎসকৰ কাষ চাপে। তেতিয়া কিন্তু—বেমাৰ থাকক-নাথাকক — তেওঁ বেমাৰীয়েই। নহ'লে কিয় আহিব ? গতিকে—বেমাৰ যিমানেই সামান্য নহওক, দৰব কিবা-নহয়-কিবা নিশ্চয় দিব লাগিব। অন্টকতকৈ চিকিৎসাবিদ্যাত তোমাৰ জ্ঞান ঢেৰ বেছি ; কিন্তু অন্টকৰ বাস্তৱবুদ্ধি তথা সাধাৰণ জ্ঞান তোমাতকৈ বেছি হোৱাত সি তোমাতকৈ ঢেৰ আগবঢ়া হৈ আছে ! বহুতৰেই দেহৰ বেমাৰতকৈ মনৰ বেমাৰহে বেছি হয়। কিন্তু কেৱল আমাৰ দেহৰ বেমাৰেই তো বেমাৰ নহয়, মনৰ বেমাৰো বেমাৰেই। মনত সুখ নোপোৱাৰ নামেই হ'ল অ-সুখ। আৰু এই কথাটো নিশ্চয় তুমিও জানা যে -দেহৰ অসুখ ভাল কৰাৰ দৰব দিয়াৰ দৰেই মনৰ অসুখ ভাল কৰাৰ দৰবো দিব লাগে, আৰু বিশেষকৈ মনৰ অসুখৰ বাবে লাগে মানসিক সান্ত্বনা। আৰু এইদৰে বেমাৰীৰ মনত আস্থাৰ সৃষ্টি কৰিবলৈ দৰবতকৈয়ো অধিককৈ লাগে গভীৰ সাধাৰণ জ্ঞান।”

এতিয়াহে কন্টকে তাৰ অযোগ্যতা কোনখিনিত, সেই কথা উপলব্ধি কৰিব পৰা হ'ল। অসাধাৰণ বিদ্যা থকা সত্ত্বেও যদি সাধাৰণ জ্ঞান নথকা হয়, সেই বিদ্যাৰ সাৰ্থক প্ৰয়োগ কৰা অতি কষ্টকৰ বিষয়।

এই ঘটনাৰ কিছুদিনৰ পাছত বিশ্বপতিয়ে এই কথা জানিবলৈ পাই আনন্দিত হৈছিল যে এতিয়া কন্টক কবিৰাজৰো আয়-উপাৰ্জন আগতকৈ ঢেৰ ভাল হৈছে আৰু চিকিৎসক হিচাপে কন্টকো অন্টকৰ দৰে সুন্দৰকৈ সুপ্ৰতিষ্ঠিত হৈছে।

কৃষ্ণাৱতাৰ

১১

ধনুৰ্ভংগৰ বাতৰি প্ৰহৰীৰ মুখে শুনি কংস ক্ৰোধত জমদগ্নিহেন হৈ উঠিল। যিপাট অস্ত্ৰক কেন্দ্ৰ কৰি ইমান ডাঙৰ উৎসৱ পতা হৈছে, সেই অস্ত্ৰপাটেই খণ্ড-বিখণ্ড! আৰু তাকো কৰিলেহি ক'ৰবাৰ কোনোবা এটা গুৱালৰ পো-ৰে! অসহ্য, অসহ্য এই অতপালি! এই অতপালিৰ সমুচিত শাস্তি দিব লাগিব। খঙত কংসৰ আপোনাৰ মঙহ আপুনি খোৱাৰ অৱস্থা হ'ল। কংসই তেতিয়াই তেওঁৰ ৰাজ্যৰ মালযুঁজাৰুহঁতক তলব দি অনালে আৰু সিহঁতক ক'লে, "শুনা, এই বিহপুলিটোক উৎপাৰি পেলাব লাগে, তাক জব্দ কৰিব লাগে। ইতিমধ্যেই তাক যিহঁতে এসেকা দিবলৈ যত্ন কৰিছিল, সিহঁত সমূলি ব্যৰ্থ হ'ল—লাজৰ কথা হলেও ই সত্য। সিহঁতৰ মাজত সাহস, শক্তি আৰু বীৰত্বৰ অভাৱ আছিল। সেইদেখিহে সিহঁতে এই তুচ্ছকণীয়া এটাকো জব্দ কৰিব নোৱাৰিলে। তোমালোকে যেইকোনো ছলে-বলে কৌশলে এই কৃষ্ণ বোলা পৰহিৰ গীত গোৱা কালিৰ ছলিটোক যদি জব্দ কৰিব পাৰা, তেনেহ'লে, তোমালোকে কেৱল মোৰেই শলাগৰ পাত্ৰ নহ'বা, ৰাইজেও তোমালোকলৈ শলাগৰ শৰাই আগবঢ়াব বুলি জানিবা। অৱশ্যে কেৱল এই উদণ্ড কৃষ্ণটো নহয়, তাৰ লগত আন এটা

'কংস-বধ'



উদগুৰ ষাঁড়ো আছে, তাৰ নাম বলৰাম। এই ছুয়োটায়েই বৰালী-বুকুৰা। ইহঁত ছুয়োটাৰেই মগজো যেন, তাগজো তেন। তোমালোকে যদি ইহঁত ছুটাক জীয়ন্তে ধৰিব পাৰা, মোৰ ওচৰলৈ লৈ আহিবা, শলাগনিৰ উপৰিও পুৰস্কাৰ-উপহাৰ পাবা। যদি ধৰি আনিব নোৱাৰা, মাৰি আনিবা। ধৰিলে উপহাৰ, মাৰিলেও পুৰস্কাৰ।"

মহাৰাজ কংসৰ কথাৰ উত্তৰত মাল-যুঁজাকইঁতে ক'লে, "আমাক আপুনি ইমানকৈ বুজাই ক'ব নালাগে মহাৰাজ, কেৱল হুকুমটো পালেই হ'ব। এই ছুটা নাওমান পোৱালিক ছুই টিপাতে শেষ কৰি দিম। এইবোৰক জব্দ কৰাৰ কথা শুনি আমি লাজেই পাইছোঁ, মহাৰাজ! এইবোৰ আমাৰ ওচৰত কিবা কামনে? ছুটা সক ল'ৰা, ফুতে উৰি গৈ মৰি যাব।"

তাৰ পাছত মহাৰাজ কংসই মহামাত্ৰক মতাই অনাই ক'লে, "তুমি মোৰ মহা উপকাৰ সাধিলা। এতিয়া এটা জৰুৰী কাম কৰিব লাগিব। বসুদেৱৰ ল'ৰা ছুটাই বৰ উদ্ভণ্ডালি লগাইছে, অতপালি কৰি ফুৰিছে, বহুতৰে নানান অনিষ্ট কৰি ফুৰিছে। সিহঁত সম্ভহতে ইয়াত আছে। আমাৰ এই উৎসৱথলীৰ প্ৰধান তোৰণৰ ওচৰ চপাৰ লগে লগেই তোমালোকে সিহঁত ছুটাৰ ওপৰত জঁপিয়াই পৰিবা। সিহঁতক বাটৰ ওপৰত বগৰাই পেলাই সিহঁতৰ বুকু হাতীৰে গচকাবা। সিহঁতৰ দেহৰ আটাইবোৰ হাড় চুৰ্ণ কৈ কৰি পেলাবা—এই কথা জানিবা।"

পাছদিনা ৰাতিপুৱা, মহাৰাজ কংসৰ নিৰ্দেশ অনুসৰি, কৃষ্ণ-বলৰামক ধৰিবলৈ বা মাৰি পেলাবলৈ ভালেমান প্ৰহৰী প্ৰস্তুত হৈ ৰৈ থাকিল। কংস স্বৰ্ণখচিত সুউচ্চ সিংহাসনত মণি-মুকুতা আৰু হীৰা আ-অলংকাৰ পিন্ধি বহি আছিল আকাশত পূৰ্ণচন্দ্ৰৰ দৰে। মহাৰজাধিৰাজ কংস বহি আছিল উৎসৱ মঞ্চৰ ওপৰত।

চানুৰ নামৰ ঠাইৰপৰা অহা ভিক্ষুক-বিলাকো হঠাৎ সেই উৎসৱ-মঞ্চলৈ উপস্থিত হ'লহি। চানুৰৰ ভিক্ষুকহঁতে কংসৰ মুখামুখি হৈ থিয় দিলে। মহামাত্ৰই তাত কৃষ্ণ-বলৰাম অহালৈ বাট চাই চাই চকু বিষাবলৈ ধৰিলে।

*

কৃষ্ণ-বলৰামক বধৰ বাবে বিপুল আয়োজনৰ সন্দেহ উমানতে পাই, কৃষ্ণই বলৰামক ক'লে, "চোৱাঁ, ককাইদেউ, আমাক বধ কৰিবলৈ কিঁখিনি আয়োজন কৰা হৈছে। আমাক হস্তীৰে গচকাবলৈ সৌৱা চোৱা—হস্তী এটাকো সাজু কৰি ৰখা হৈছে। ইপিনে—কংসৰ দিন যে চমু চাপিছে, তাৰ চাউল যে টুটি আহিছে, সেই কথাটিহে কংসই নাজানে। যি কি নহওক, তুমি মোৰ ওপৰত লক্ষ্য ৰাখিবা।" এই বুলি কৈ কৃষ্ণ আগবাঢ়ি গ'ল।

*

কৃষ্ণক দেখা পায়েই বিৰাট হাতীটোৱে দাঁত-শুঁৰ জোকাৰি কৃষ্ণলৈ আগুৱাই আহিল। ইমান খৰকৈ যে হাতীটো আগুৱাই আহিব পাৰিব—কৃষ্ণই ভাবিবই পৰা নাছিল।

যি কি নহওক, কৃষ্ণই হাতীৰ সৈতে হাতালি খেলিব বুলি খাটাং কৰিলে।

হাতীটোক কৃষ্ণই মাৰিয়েই পেলাব ; কিন্তু তাৰ আগতে তাৰ লগত এহাত





খেলি চাব। কিন্তু কৃষ্ণক স্তম্ভিত কৰি হাতীটোৱে তাৰ বিৰাট দীঘল শুঁৰেৰে কৃষ্ণৰ বুকুত আঘাত কৰিলেহি। কৃষ্ণই অলপপৰলৈ হাতীৰ অত্যাচাৰ সহ্য কৰিলে। তাৰ পাছত হঠাৎ একেজাঁপে দঁতাল হাতীটোৰ বিৰাট দাঁতৰ ওপৰ উঠি থিয় দিলে আৰু পাছ মুহূৰ্ততে হাতীটোৰ কুমত জোৰেৰে গোৰ মাৰি বিজুলী গতিৰে পিঠিৰ ওপৰত উঠি এহাতেৰে শুঁৰত ধৰি সেই প্ৰকাণ্ড হাতীটোক শূন্যত ঘূৰাবলৈ ধৰিলে আৰু পাছত বহুদূৰলৈ দলিয়াই দিলে। কিন্তু হাতীটোৱে পুনৰ কৃষ্ণক আঘাত কৰিলেহি। তেতিয়া কৃষ্ণই হাতীটোৰ এটা দাঁত টান মাৰি উলিয়াই আনিল সেই দাঁতটোৰেই হাতীটোক মৰিয়াবলৈ ধৰিলে। হাতীটোৰ গোটেই দেহৰপৰা ধাৰাসাৰে তেজ বিৰিঙি থাকিল। কৃষ্ণৰ দেহৰপৰাও তেজ বিৰিঙি আছিল।

*

তাৰ পাছত কৃষ্ণই সেই হাতীৰ দাঁতটো হাতত লৈ কৃষ্ণ মহাৰাজ কংসৰ ৰাজসভাত সোমালগৈ। কৃষ্ণৰ হাতত সেই ভয়ংকৰ হাতীটোৰ দাঁত এটা দেখি কংস ভীত হৈ উঠিল। তেতিয়া কংসই সেই বীৰ মালযুঁজাৰুহঁতলৈ চালে। পৃথিৱীত এই মালযুঁজাৰুহঁতৰ দৰে যুঁজাৰু বিচাৰি পাবলৈ নাই। আৰু সিহঁতৰ সমকক্ষ কোনো নাই বুলি জানি সিহঁতো অহংকাৰত ওফন্দিয়েই আছিল।

মালযুঁজাৰুহঁতে কৃষ্ণৰ মুখামুখিকৈ থিয় হৈ কৃষ্ণক ক'লে, "কেটামান গৰখীয়াক লগত লৈ বহুত অতপালি-উদণ্ডালি কৰিলা, বাহুডাম্ফি বীৰত্ব দেখুৱালা। পিছে—আজিয়েই তোমাৰ লীলাখেলাৰ অন্ত পৰিব।"

কৃষ্ণই লাহেকৈ ক'লে, "মই সদায় আশাধাৰী। ইমান লণ্ডভণ্ড কাণ্ডৰ অন্ততো তোমালোকৰ মনোবল অটুট থকা দেখি মই ভাল পাইছোঁ। বাৰু, তোমালোকে



তোমালোকৰ সৰ্বশক্তি মোৰ ওপৰত প্ৰয়োগ কৰিব পাৰা। পিছে—ব্যৰ্থ হ'লে যে কিখিনি কি হ'ব পাৰে — চাগৈ বুজি পাইছাই।" এই বুলি কোৱাৰ অন্তত কৃষ্ণ ৰ'ল।

কৃষ্ণই—কোনোবাই কোৱা শুনিলে, "ইমান লাংপাং কথা চোবোৱাৰ সকামনো কি? তাক গবা মাৰি ধৰা যাওক।"

এই কথা শুনি কৃষ্ণই ত্বখোজমান হুহঁকি গৈ স্থিৰ হৈ ঠাইত থিয় হ'ল।

*

আৰু তাৰ পাছত বিৰাটদেহী এক মল্লৰ বিৰুদ্ধে ক'বলৈ গ'লে পিয়াহদঁতা কৃষ্ণ জঁপিয়াই পৰিল। কেতিয়াবা তলমূৰ হৈ, কেতিয়াবা চৰাই উৰা দি উৰি গৈ প্ৰতিপক্ষৰ ওপৰত জঁপিয়াই পৰি, কেতিয়াবা বগৰাই পেলাই কৃষ্ণই মল্লক মৰা-মুঁছা যেন কৰি তুলিলে। তাত উপস্থিত থকা অসংখ্য দৰ্শক ভীত-সন্ত্ৰস্ত হৈ উঠিল এই অ-সম যুঁজ দেখি। কিছুমান দৰ্শকে আৰ্তনাদ কৰি উঠিল। তেওঁলোকে এই ভয়ংকৰ যুঁজ বন্ধ কৰিবলৈ কৃষ্ণক কাকুবাদেৰে তুষ্ট কৰাৰ চেষ্টা দিলে। কিন্তু কৃষ্ণক তেতিয়া মাৰক মনে ধৰিছে, কৃষ্ণই ইহঁতক শুদাই নেৰিছে।

সৰু ল'ৰা বুলিয়েই হওক, বা আন যিকোনো কাৰণতে হওক—সৰহ সংখ্যক দৰ্শকেই কৃষ্ণৰ প্ৰতিহে সমৰ্থন জনাইছিল, কৃষ্ণৰহে সাফল্য কামনা কৰিছিল। কিন্তু মল্লহঁতৰ সমৰ্থকহঁতৰ মাজত নামি আহিছিল আতংকৰ ছাঁ। কৃষ্ণই মল্লযুদ্ধৰ বিভিন্ন কৌশল প্ৰদৰ্শন কৰাৰ অন্তত হশূৰ নামৰ এই মাল-যুঁজাৰুৰ দফা-ৰফা কৰি আনিলে। বহুতো পৰলৈকো যুঁজি যুঁজি হশূৰ ভাগৰি পৰিছিল। আৰু অৱশেত কৃষ্ণৰ শেষ আঘাতত হশূৰ ধৰাশায়ী হৈ পৰিল। খ্যাতিমন্ত মল্লযোদ্ধা হশূৰ ঢুকাল।

কৃষ্ণই হশূৰক মাৰি পেলোৱাৰ লগে লগে বলৰাম তালৈ গ'ল। তিমানতে আন



ভলেমান মালযুঁজাৰুক বলৰামে পৰাস্ত কৰিছিল। এইদৰে, আটাইবিলাক মালযুঁজাৰুক বেয়াকৈ পৰাজিত কৰি নাকনি-কাননি খুউৱাৰ নাগুৰ-নাগতি কৰাৰ অন্তত কৃষ্ণ আৰু বলৰামে সুউচ্চ মঞ্চোপৰি 'যুদ্ধং দেহি' ভাৱে থিয় দিলে।

কৃষ্ণ-বলৰামক এই ভংগীৰে দেখা পাই দৰ্শককুলো থমক খাই থিয় হ'ল। দৈৱকীৰ দুগালেদি আনন্দাশ্ৰু বৈ আহিল। ইমান দিনৰ অন্তত তেওঁৰ পুত্ৰই প্ৰতিশোধ ল'ব পৰা যেন লাগিল তেওঁৰ। এই প্ৰতিশোধৰ মাজত অন্যায় একো নাই, আছে ন্যায়ধৰ্ম। কৃষ্ণই ন্যায়ধৰ্ম পালন কৰিলে। বসুদেৱে তেওঁৰ আনন্দ প্ৰকাশ নকৰি নোৱাৰিলে। কিন্তু এইবোৰ কথা-কাণ্ড চাই-চিঁতি কংস শাম কাটক ছাৰি জলজলাইহে উঠিল। যদিও তৎক্ষণাৎ চৰখৰীয়াত পৰা কংসই নিজক চম্ভালি ল'লে। তেওঁ যে কৃষ্ণৰূপী জুইৰ লগত হেতালি খেলিবলৈ ওলাইছে, আৰু আৰু যে হোঁহকা দিয়াৰো উপায় নাই, সেই কথা উপলব্ধি কৰি আতংকত মুহ্যমান হৈ পৰিল। এক অজান ভীতিয়ে তেওঁক গ্ৰাস কৰি পেলালে। তেওঁৰ ভৰি দুখন ধাৰৰ নল কঁপাদি কঁপিবলৈ ধৰিলে।

*

কিন্তু এই ভীতি বা আতংক টিলিকিতে উৰাই দিবলৈকো কুচক্ৰী কংসৰ সৰহপৰ নালাগিল। হঠাৎ কংসই চকু ৰঙা কৰি ৰণচণ্ডী মূৰ্তি ধৰি দমদমাই উঠি ক'লে, "এই বিহৰ টোপোলা দুটাক নগৰৰ বাজ কৰি দিয়া। নন্দক ধৰি আনি তাৰ হাতে-ভৰিয়ে শিকলিৰে বান্ধি গোৰ মাৰি মাটিত পেলাই থোৱা। তাৰ পাছত তাক জোৰাই-জোখাই যম-যাতনা দি দি মাৰি পেলোৱা। তাৰ আগতে আন গৰখীয়াবিলাককো, যিবিলাকে এই কন্দপৰা কৃষ্ণটোৰ পিছে পিছে ঘূৰি ফুৰে সিহঁতকেইটাকো মাৰি পেলোৱা। মোৰ ৰাজ্যত কোনো

Sankar...

গৰখীয়া — ৰাখোৱালক দেখা পালেই চোৰৰ শাস্তি দিবা। কুটিল আৰু কৌশলী বসুদেৱ বোলা সেই গুৱালটোক দিবা আটাইতকৈ কঠোৰ-নিষ্ঠুৰ শাস্তি।”

কিন্তু কংসৰ এই নিৰ্দেশ শুনিও কোনো এজনো লৰ চৰ নকৰা হ'ল। সকলো শিলৰ দৰে থিয় হৈ থাকিল।

কংসৰ দম্ভালি, আৰু মাক-দেউতাক বন্ধু-বান্ধৱ, লগৰীয়া-সমনীয়াহঁতৰ ভীতিলৈ লক্ষ্য কৰি কৃষ্ণই ভাবিলেঃ কংসক এই মুহূৰ্ততে এসেকা দিয়া যাওক।

কৃষ্ণই পোনে পোনেই খটখটি বগাই মঞ্চৰ ওপৰলৈ উঠি গ'ল। কৃষ্ণই ওপৰলৈ উঠি যোৱালৈ কোনেও মন নকৰিলে।

ওপৰলৈ গৈয়েই কৃষ্ণ ভীত-সন্ত্ৰস্ত কংসৰ কাষ চাপিল আৰু কংসৰ মূৰত শোভিত ৰাজমুকুট দলিয়াই পেলালে। তাৰ পাছত কংসৰ চুলিত মুঠি মাৰি ধৰি, কিল-ভুকু মাৰি, মুখখন আঘাতেৰে জৰ্জৰিত কৰি পেলালে। কংসই কৃষ্ণৰ বিৰুদ্ধে আনকি এখন হাতো দাঙিব নোৱৰা হ'ল। কংস মৃতৱৎ হৈ মজিয়াত লুটি খাই পৰিল।

তেতিয়া বলৰামে কংসৰ ভায়েকটোক পটাত পিহা দি আছিল। কংসৰ ভায়েকটোৰ নাম সুনাম। তাৰ পাছত কৃষ্ণই কংসক, আৰু বলৰামে সুনামক বধ কৰিলে।

কংসক বধ কৰাৰ অন্তত কৃষ্ণই সেই ৰক্তাক্ত হাতৰে সৈতেই বসুদেৱ-দৈৱকীক প্ৰণাম কৰিবলৈ গ'ল। বসুদেৱে কৃষ্ণক গভীৰভাৱে আলিংগন কৰিলে। কৃষ্ণৰ হাতত লাগি থকা কংসৰ দেহৰ তেজ দৈৱকীয়ে তেওঁৰ চুলিত সানি প্ৰতিশোধৰ পৰম তৃপ্তি লভিলে।

তাৰ পাছত, কৃষ্ণই কংসবধৰৰ অন্তত, উগ্ৰসেন প্ৰমুখ্যে বয়োজ্যেষ্ঠসকলক প্ৰণাম কৰি, তেওঁলোকৰপৰা আশীৰ্বাদ প্ৰাৰ্থনা কৰি, ককাইদেউ বলৰামৰে সৈতে মাতৃ-পিতৃৰ ওচৰলৈ উভতি খোজ ল'লে।





দুৰ্বুদ্ধি-বক্ৰবুদ্ধি

এসময়ত এদেশত দুটা বঞ্চক বা ভুৱা-বাজ আছিল। ইটোৰ নাম বক্ৰবুদ্ধি আৰু সিটোৰ নাম আছিল দুৰ্বুদ্ধি। সিহঁত দুটাই একেলগে দেশৰ বিভিন্ন ঠাইত নানান ঠগ-ছল কৰাৰ অন্তত এবাৰ নিজৰ গাঁৱলৈ বুলি উভতি খোজ ল'লে। উভতি আহোঁতে বাটত এটা বলদক ধৰিলে আৰু সেইটোক আন এঠাইত পঘাৰে বান্ধি থ'লে। বক্ৰবুদ্ধি চহৰৰ ধৰমশালাত থাকি গ'ল আৰু দুৰ্বুদ্ধি গাঁৱলৈ উভতি গ'ল।

বলদটোৰ গৰাকীয়ে বলদটোক বিচাৰি ওলাল। বহু সময় ধৰি বিচাৰিও বিচাৰি নাপাই কেইজনমানক ক'লে। সেই কেইজনমানে ক'লে আন বহুতক। এইদৰে, বিচাৰি নোপোৱা বলদটোৰ কথা মুখে মুখে সকলোতে প্ৰচাৰিত হৈ পৰিল।

ইকথা সিকথা নানান কথা শুনি কিছুমানক দুৰ্বুদ্ধিয়ে ক'লে, "মোৰ গুৰু ধৰমশালাত আছে। যিকোনো হেৰোৱা বস্তুৰ সা-সন্ধান তেওঁ উলিয়াই দিব পাৰিব। তেওঁ একেধাৰে দৈৱজ্ঞ আৰু ভৱিষ্যদ্বক্তা। বলদটোক বিচাৰি পোৱাৰ মন আছে যদি, ধনলৈ চিন্তা কৰিলে নহ'ব, মোৰ গুৰুৰ কাষকে চাপিব লাগিব। কিয়নো—এই অগতি-দুৰ্গতি-বিগতিৰ জগতখনত তেৱেঁই হ'ল হেৰাল পোৱাল কাশ্যপ।"

বলদটোৰ গৰাকী বাধ্যত পৰি ধৰমশালালৈ গ'ল। আন কেইজনমান গাঁও-বাসীও তেওঁৰ লগত আছিল। বলদটোৰ গৰাকীৰপৰা সকলো কথা শুনাৰ অন্তত

'মানদেশৰ সাধু'



সৰু বাকচ এটাৰপৰা তালপতীয়া পুথি এখন উলিয়াই আনি পাতবোৰ লুটিয়াই-মেলি পঢ়াৰ ভাও জুৰি অলপ সময়ৰ পাছত বক্রবুদ্ধিয়ে ক'লে, "এই ধৰমশালাৰ পৰা পচিমমুৰা হৈ, অলপমান আগুৱাই গৈ পূবফালে যাব লাগিব। তাত এঠাইত বহল পথাৰ এখন পাৰ হৈ, পোনে পোনেই দক্ষিণৰফালে খোজ ল'ব লাগিব। তাত এটা কোৰোকাতলি আছে, তাত থিয় হৈ ঈশান কোণলৈ চালে এজোপা প্রকাণ্ড তেতেলী চকুত পৰিব, সেই তেতেলী-জোপাৰ তলত থিয় হৈ উত্তৰমুৰাকৈ চালে চকুত পৰিব এজোপা আমগছ। সেইজোপাৰপৰা অহিনকোণীয়াকৈ কেইখোজমান আগুৱাই গ'লেই তোমাৰ বলদটোক ঘাঁহ খাই থকা দেখা পাবা।"

বলদটোৰ গৰাকী, আন কেইজনমান, আৰু লগতে ত্বুৰ্বুদ্ধিও বক্রবুদ্ধিয়ে কোৱামতে গৈ থাকিল। গৈ থাকোঁতে ঠায়ে ঠায়ে বৈ বৈ ইমানবোৰ দিশ আৰু কোণৰ হিচাপ কৰিবলগীয়া হৈছিল আৰু বলদৰ গৰাকীয়ে ভোৰভোৰাই কৈছিল, "কোন-ফালে কোন কোণ হিচাপ কৰি যাওঁচোন। পূব-পচিম-উত্তৰ-দক্ষিণ আৰু আছে ঈশান অহিন। হিচাপ কৰি যাবা বাপা, নহ'লে নিজেই বলধ হ'বা।"

যি কি নহওক—গৈ গৈ গৈ গৈ—অৱশেষত পালে বিচাৰি বলদটোক। ত্বুৰ্বুদ্ধিয়ে তাৰ গুৰুক পণ্ডামী-মাননী যি পাৰিলেব লেৰে টকা কেইটামান বলদটোৰ গৰাকীৰপৰা আদায় কৰিলে।

ভুৱাবাজ ছুটাই গমিলে যে এই ঠাইত আৰু নোপোচাব, কিয়নো, ইমান ভাও-ভাওনা কৰি মাত্র ছটা হে টকা! গতিকে—সিহঁতে সিহঁতৰ টোপোলা বন্ধাৰ কামত লাগি গ'ল।

সিহঁতে হাতত টোপোলা, কাষলতিত টুপলি লৈ খোজ ল'বহে, এনেতে গাঁওবুঢ়া ওলালহি, আৰু ক'লে, "এস্! এস্! এস্!

আপোনালোক গুচি যায়ইগৈনে আমাক এৰি ? ভাগ্যে এতিয়া পালোঁহি। নহ'লে মই বৰ বিপাঙতে পৰিলোহেঁতেন।"

গাঁওবুঢ়াই সিহঁত দুটাক তাৰ প্ৰয়োজনৰ কথা ক'লে। গাঁওবুঢ়াৰ ঘৰৰপৰা সোণৰ শৰাই এখন চুৰি হ'ল। দৈৱজ্ঞই এই সোণৰ শৰাইৰ সা-সন্ধান দিব লাগিব।

শুনি বক্ৰবুদ্ধিৰ বাঘৰ বুকুলৈ যোৱা যেন লাগিল, যদিও সি এই কথাটি ফটফটীয়াকৈ বুজি পাইছিল যে গাঁওবুঢ়াৰ এই চুৰিৰ কথা ধুমুৰ মিছা। কিন্তু মিছাৰো প্ৰমাণ লাগে। প্ৰমাণ নাই। গতিকে দুৰ্বুদ্ধিয়ে গাঁওবুঢ়াক বাধ্যত পৰি অহা-কালি আহিবলৈ ক'লে। অহাকালি আগবেলাতে আহিব লাগিব।

গাঁওবুঢ়া গুচি যোৱাৰ পাছত দুৰ্বুদ্ধিয়ে বক্ৰবুদ্ধিক ক'লে, "ইয়াৰপৰা সাঁজ লাগি ভগাৰ পাছতেই এন্ধাৰে-মুন্ধাৰে পিঠি দিব লাগিব। নহ'লে নিস্তাৰ নাই।"

ইতিমধ্যে গাঁওবুঢ়াই গাঁৱত কথাটো ক'লেগৈ, আৰু ৰাইজে কোৰাকুই কৰি থাকিল যে গাঁওবুঢ়াৰ ঘৰৰ চুৰিৰ সন্তেদ হাতচোৱা সম্ৰাটে দিব নোৱাৰিলে।

গাঁওবুঢ়াৰ মনত কি আছিল কোনে ক'ব, সাঁজ লাগি ভগাৰ লগে লগে আন এজনক লগত লৈ বক্ৰবুদ্ধিৰ কোঠাটোৰ একাষত এন্ধাৰত ভেজা দি কাণ পাতি থিয় হৈ থাকিলগৈ।

তেতিয়া বক্ৰবুদ্ধিয়ে দুৰ্বুদ্ধিক কৈ আছিল, "কি কোৱাঁহে ? চোৰৰ দৰে পলাই যাম ? কিয় ?"

দুৰ্বুদ্ধিয়ে ক'লে, "নহ'লে—গাঁৱলীয়া-ইতক তো জানাই, এবাৰ যদি হাত দাঙে—হাড় জুনজনীয়া নকৰাকৈ নেৰে।" গাঁৱলীয়াৰ পিটন গৰু-পিটন।

এই কথা কৈয়েই দুৰ্বুদ্ধিয়ে কোঠাৰ দুৱাৰ মেলি ওলাবলৈ ধৰোঁতেই বিপাকত পৰি গাঁওবুঢ়া পুনৰ সোমাই আহিল, আৰু বক্ৰবুদ্ধিৰ ভৰিৰ ধূলা মূৰত লৈ ক'লে,

ৰংমনে গ'ল গাঁওবুঢ়াৰ গাঁৰৰ ঘৰলৈ।

সিহঁত দুটাৰ খোৱা বোৱা শেষ হৈছেহে মাথোন, এনেতে ৰজাৰ মানুহ আহিল গাঁওবুঢ়াৰ ঘৰলৈ। ৰজাৰ মানুহে গাঁওবুঢ়াক ক'লে, "তিনিদিনৰ আগতে ৰাজধানীৰ সাগৰপাৰত সাতখন জাহাজে নঙৰ কৰিছিলহি। কিন্তু কিবা এটা কাৰণত আমাৰ ৰজাই জাহাজৰ মালিকৰ লগত বাজি মাৰিলে। জাহাজবিলাকৰ মাজত বিশেষ এটা বাকচত কি বস্তু আছে কৈ দিব লাগিব, ক'ব নোৱাৰিলে ৰজাই সমগ্ৰ দেশখন জাহাজৰ মালিকক দি দিব লাগিব আৰু ক'ব পাৰিলে ৰজাই জাহাজবিলাক পাব। —এতিয়া আপোনাৰ গাঁৱত হেনো ভালৰো ভাল দৈৱজ্ঞ এজননে দুজন আছে, সেই দুজনক এতিয়াই লাগে।"

নিৰুপায়ত পৰি, ৰজাৰ মানুহৰ লগত তাহঁতেই দুই ভুৱাবাজ ৰাজধানীলৈ ৰাওনা হ'ল আৰু গধূলি পৰতে ৰাজধানী পালেগৈ।

ৰাতিৰ পৰতে দুৰ্বুদ্ধিয়ে বক্ৰবুদ্ধিক ক'লে, 'ব'লা, আমি এতিয়া পলাওঁ।"

"ক'ত পলাবা? ৰজাই ঠিকেই ধৰা পেলাব। তাতকৈ সাগৰত জঁপিয়াই পৰিলেও বেয়া নহ'ব।" বক্ৰবুদ্ধিয়ে ক'লে।

যেন ভবা তেন কাম, বক্ৰবুদ্ধি তাৰ

"যি হ'বলগা আছিল হৈ গ'ল, গ'ল কথা গুচিল। পিছে—"

গাঁওবুঢ়াৰ কথা নৌ শেষ হওঁতেই বক্ৰবুদ্ধিয়ে কৈ উঠিল, "আপোনাৰ চুৰি হোৱা বস্তু আপোনাৰ ঘৰৰ খটখটিৰ তলতে পুতি থোৱা আছে।"

গাঁওবুঢ়াই তেতিয়াই ঠাইডোখৰ খান্দি চালেগৈ, আৰু বক্ৰবুদ্ধিয়ে কোৱা মতে সেই সোণৰ শৰাই পাই গ'ল।

তেতিয়া গাটো সাতখন-আঠখন লগা গাঁওবুঢ়াই সেই ভুৱাবাজ দুটাক ভাত খাবলৈ মাতিলে তেওঁৰ ঘৰত। আৰু সিহঁত দুটাও নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ

নাম। ৰাতিৰ পৰতে সিহঁত দুটা সাগৰতে পৰি মৰিব বুলি সাগৰৰ পাৰলৈ গ'ল। জাহাজবিলাক তাতে নঙৰ কৰা আছিল। সিহঁত দুটা খপজপকৈ সাগৰৰ এগোৰোহা পানীত নামিলগৈ। আৰু লগে লগে সিহঁতৰ কাণত পৰিল কিছুমান কথা। কথাখিনি এটা জাহাজৰপৰা শুনা গৈছিল। এজনী কণমানি ছোৱালীয়ে তাইৰ ককাকক সুধিছিল, "ককা, কি আছেনো সৌ বাকচটোত? নক'লে মই নাযাওঁ।"

ককাকে ক'লে, "সেই কাঠৰ বাকচটোৰ ভিতৰত আছে এটা পিতলৰ বাকচ, পিতল বাকচটোৰ ভিতৰত আছে সোণৰ বাকচ।"

"আৰু সেই সোণৰ বাকচটোত কি আছেনো—?" নাতিনীয়েকে সুধিলে।

"সোণৰ বাকচটোৰ ভিতৰত আছে অতি আপুৰুগীয়া আতৰৰ এটা চিচা।"

সৰু ছোৱালীজনীয়ে একো বুজক-নুবুজক, দুৰ্বুদ্ধি আৰু বক্ৰবুদ্ধিয়ে বুজিব-লগাখিনি বুজিলে আৰু পানীৰপৰা উঠি আহি পানী-চালি দুটাই লৰ ধৰিলে।

পাছদিনা, পৰিপূৰ্ণ ৰাজসভাত বক্ৰবুদ্ধিয়ে জাহাজৰ সেই 'বাকচৰ ৰহস্য'ৰ ভেদ ভাঙি দিলে ৰজাৰ ওচৰত। জাহাজৰ মালিকে বাজি হাৰিবলগা হ'ল।

ৰজাই বক্ৰবুদ্ধিক ৰাজদৈৱজ্ঞৰ বাব দিব খুজিলে; কিন্তু বক্ৰবুদ্ধিয়ে ৰজাৰ এই উপহাৰ প্ৰত্যাখ্যান কৰিলে। কিয়নো— বক্ৰবুদ্ধিয়ে জানিছিল: এদিন এই গলৰ কথাই ভালুক হ'বগৈ।

তাৰ পাছত এদিন দুৰ্বুদ্ধিয়ে বক্ৰবুদ্ধিক ক'লে, "এইবাৰলৈ বড্ড সাৰণ সাৰিলোঁ। কিন্তু সদায় যে এনেকৈ সাৰি যাব পাৰিম—হৰিয়ে গোবৰ্ধন ধৰি ৰাখিবই— তাৰ তো কোনো নিশ্চয়তা নাই। গতিকে—ভাং ভাজি খাবৰ খোলা হোৱাৰ আগতেই কিবা এটা কামত ধৰাটোৰেই ভাল হ'ব যেন পাওঁ।"

ধৰ্মৰ মূল

দেশৰ নাম মহাতল, ৰজাৰ নাম সিংহকেতু। ৰজাৰ সেনাপতি বীৰবৰ্মা নামতো বীৰবৰ্মা, কামতো। সেনাপতিৰ পৰাক্ৰমৰ কথা দশোদিশে বিয়পি পৰিছিল। কিন্তু তীখাতো মামৰে থৰে, বয়সে পৰাক্ৰমীৰো পৰাক্ৰম হৰে। সেয়েহে, সেনাপতিয়ে এদিন ভাবিলেঃ এইবাৰ ভালে ভালে কামৰি কঢ়াৰ আগতেই কামৰপৰা ৰেহাই ল'লেহে ভাল।

আৰু ভবা মতেই এদিন এই কথাত কথা পাতিবলৈ সেনাপতি বীৰবৰ্মাদেউ ৰজাৰ কাষ চাপিল।

সেনাপতি বীৰবৰ্মা যেতিয়া ৰজাৰ ওচৰ পালেগৈ, তেতিয়া তাত মহামন্ত্ৰী সত্যনাৰায়ণদেউ বহি আছিল। সেনাপতিৰপৰা সকলো কথা ধৈৰ্য্য ধৰি শুনাৰ অন্তত ৰজাই মৰা-মুৰা যেন হৈ সেনাপতি বীৰবৰ্মাক ৰজাই ক'লে, "আপুনি নিজক যে কিয় ইমান বোন্দাটো—মানে — বয়সৰ বোন্দাটো ভাবিছে, আপুনিহে ক'ব পাৰিব। কিন্তু আপোনাৰ এই প্ৰস্তাৱত মই ফুতে উৰায়ো দিব নোৱাৰোঁ। যদি কাম এৰি যায়েইগৈ, কাম এটা কৰক। আপোনাৰ ল'ৰা দুজনৰ মাজত যোগ্যৱানজনক সেনাপতিৰ পদত নিযুক্ত কৰক।"

এই কথাৰ উত্তৰত বীৰবৰ্মাদেৱে ক'লে, "মহাৰাজ, মোৰ শূৰবৰ্মা আৰু জয়বৰ্মাৰ মাজত কোন যে যোগ্যৱান, মোৰ পক্ষে তাৰ বুজ লোৱা টান। এই দায়িত্ব মই কঢ়িয়াব নোৱাৰিম, কঢ়িয়াব আপুনিহে।"

ৰজা সন্মত হ'ল সেনাপতিৰ কথাত।

হৰিহৰ বৰ্মন

তেতিয়া মহামন্ত্ৰীয়ে ৰজাৰ আগত এই পৰীক্ষাৰ বাবে এখন আঁচনি দাঙি ধৰিলে।

পাছদিনা, ৰজাই পৰিপূৰ্ণ ৰাজসভাত সদস্যসকলক ক'লে, "আমাৰ সুযোগ্য সেনাপতি বীৰবৰ্মা দেউয়ে কামৰপৰা অৱসৰ ল'ব খুজিছে। এনে অৱস্থাত—তেওঁৰ পুত্ৰ দুজনৰ মাজত এজনক আমাৰ দেশৰ সেনাপতিৰ পদত লোৱাটোকে স্থিৰ কৰিছোঁ। কিন্তু—সেই দুজনৰ মাজত যোগ্যৱান কোন—তাৰ যথাযোগ্য পৰীক্ষা লোৱা হ'ব।" সভাস্থ সকলোৱে হাত চাপৰি ৰজাৰ প্ৰস্তাৱলৈ তেওঁলোকৰ পূৰ্ণ সমৰ্থন জ্ঞাপন কৰিলে।

সেনাপতিৰ পুত্ৰদ্বয়ক ৰাজসভালৈ মতাই অনাই ৰজাই সিহঁতে দুজনক ক'লে, "শুনা, ৰজাসকলৰ বংশ পৰম্পৰা থকাৰ দৰে—সেনাপতিহঁতৰো থাকিব পায়। যুদ্ধক্ষেত্ৰৰ অভিজ্ঞতা তোমালোকৰ নথকা নহয়। যোগ্যতাৰ ফালৰপৰা তোমালোক দুয়োজনেই প্ৰায় সমান সমান। তথাপি—যোগ্যতম বা আটাইতকৈ যোগ্যৱান কোন—তাৰ পৰীক্ষা ল'ব লাগিবই। কিয়নো—পদ এটা, প্ৰাৰ্থী দুজন। তোমালোকৰ মাজত এজনক মই সেনাপতিৰ পদত নিযুক্ত কৰিম। যোগ্যতাৰ পৰীক্ষা দিবলৈ তোমালোক সন্মতনে?"

সিহঁতে মূৰ দুপিয়াই সন্মতি প্ৰকাশ কৰাত ৰজাই পুনৰ ক'লে, "ধৰি লোৱা—



তোমালোকৰ সমুখত তিনিটা কক্ষ আছে। এটা কক্ষত আছে ধন-বিত, আনটোত অস্ত্র-শস্ত্র, আৰু তৃতীয়টোত আছে খাদ্য। এই তিনিটা কক্ষৰ মাজত যদি এটাকৈ কক্ষ তোমালোকক ল'বলৈ কওঁ—কোনে কোনটা কক্ষ ল'বা ?"

শূৰবৰ্মাই তিনিওটা কক্ষ ভালকৈ চাই ল'লে আৰু অলপ পাছত ৰজাক ক'লেহি, "মহাৰাজ, মই অস্ত্র-শস্ত্র থকা দ্বিতীয় কক্ষটোকে ল'ম।"

তাৰ পাছত প্ৰহৰীহঁতে জয়বৰ্মাকো সেই কক্ষ তিনিটাৰ ওচৰলৈ লৈ গ'ল। জয়বৰ্মাই কক্ষ তিনিটাৰ ভিতৰত সোমাই ভালকৈ পৰীক্ষা-নিৰীক্ষা কৰি, ৰজাক ক'লেহি, "মহাৰাজ, মোক প্ৰথমটো কক্ষ লাগে। এই কক্ষটোত দেখিছোঁ—অপাৰ-অপৰিমিত ধন-বিত আছে।"

লগে লগে ৰজাই কৈ উঠিল, "কিয় কোৱাচোন ? ইমান ধন-বিতেৰে তুমি বাৰু কি কৰিবা ?"

"মহাৰাজ, আজিৰ দিনত ধন-বিতেই হ'ল ঘাই, আন বস্তুৰ মূল্য সিমান নাই। ধন দিলে সোণ, সোণ দিলে দঁতাল হাতীও পোন। ধনেই ধৰ্মৰ মূল। ধন থাকিলে—আন দুটা কক্ষত যিবোৰ বস্তু আছে, হেলাৰঙে কিনি আনিব পাৰি। ধন দিলে অস্ত্র আৰু খাদ্য কোনেনো নিদিব ?"

জয়বৰ্মাৰ যুক্তিপূৰ্ণ কথালৈ ৰাজসভাস্থ সকলোৱেই হাত-চাপৰি সমৰ্থন জনালে।

ৰজা সিংহকেতুৱে নিজৰ ডিঙিৰ মালা নিজ হাতেৰে জয়বৰ্মাক পিন্ধাই দিলে আৰু ক'লে, "তোমাৰ মাজত সমধিক বাস্তৱ জ্ঞানৰ পৰিচয় পাই মই মোহিত হৈছোঁ। আজিৰপৰা তুমিয়েই আমাৰ দেশৰ সেনাপতিৰ আসন গ্ৰহণ কৰাঁ।"

পুনৰ তুমুল হাত-চাপৰিৰে সভাসদবৰ্গই ৰজাৰ প্ৰস্তাৱ তথা দেশৰ নতুন সেনাপতিৰ নিযুক্তিলৈ সহৰ্ষ সমৰ্থন জ্ঞাপন কৰিলে।



ঈশ্বৰ সাক্ষী!

কুন্দপুৰ গাঁৱৰ গোবিন্দ আছিল গভাইত। গোবিন্দৰ ঘৰত কেৱল গোবিন্দয়েই নহয়, সিহঁতৰ বংশটোৱেই আছিল চোৰৰ বংশ। আৰু একমাত্ৰ চুৰি আছিল এই বংশৰ বংশানুক্ৰমিক জীৱিকা।

গোবিন্দৰ ভনীয়েকৰ ল'ৰা এটাৰ নাম আছিল ঈশ্বৰ। মাকে তেওঁৰ একমাত্ৰ পুত্ৰ ঈশ্বৰক পঠালে তাৰ মোমায়েকৰ ঘৰলৈ। আৰু ঈশ্বৰে তাত ৰংমনে চুৰি-বিদ্যাৰ প্ৰথম পাঠ ল'বলৈ ধৰিলে।

চাওঁতে চাওঁতে ঈশ্বৰে চুৰিবিদ্যাত মোমায়েকক পিছ পেলাই দিলে। মোমায়কে যেতিয়া গমিলে যে ভাগিনে এইবাৰ নিজেই ভৰি নচুৱাই খাব পৰা হৈছে, তেতিয়া তাক আৰু ভালকৈ কুটি ধৰাল কৰাৰ মনেৰে তাক লৈ ৰাতি ৰাতি চুৰি কৰিবলৈ ওলোৱা হ'ল।

এবাৰ গোবিন্দই ঈশ্বৰক লগত লৈ আন এখন গাঁৱলৈ চুৰি কৰিবলৈ ওলাল। এই গাঁৱত আছিল এহাল হাকিম আৰু হাকিমী আৰু তেওঁলোকৰ আছিল হামাৰভাৱে ধন-বিত।

হাকিম আৰু তেওঁৰ পৰিবাৰ ঘৰত থাকে। হাকিমৰ ল'ৰা-ছোৱালী নাছিল। পৰিবাৰে পূজা-পাটল ব্ৰত-উপবাস আদি লৈয়েই দিন কটায়। ঘৰত হাকিমৰ সিমান একো আকৰ্ষণ নথকাত তেওঁ দেৰিকৈ ঘৰলৈ ওভতে। এতেকে, চুৰি কৰিবলৈ ৰাতি দুপৰলৈকে বৈ থাকিব নালাগিব। গোবিন্দই ঈশ্বৰক ক'লে, "মই দোতলালৈ উঠি যাম, যি পাম, গোটাই-পিটাই লৈ, ঘৰৰপৰা ওলাই আহি

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

সৌ গছতলত বৈ থাকিম। তই যদি মোতকৈ আগতে কাম হাছিল কৰি ওলাৱ, তাতে বৈ থাকিবি। দুয়ো লগ লাগিমহি, তাৰ পাছত ঘৰলৈ একেলগে ঘূৰিম।”

*

তাৰ পাছত, গোবিন্দ পানী-নলী বগাই মেকুৰী খোজেৰে ঘৰৰ দোতালালৈ উঠি গ'ল। ঈশ্বৰে ঘৰৰ বিভিন্ন খোটালিত সোমাই ইটো-সিটো মোনাত ভৰাই ল'লে। চ'ৰাঘৰৰপৰা পাগঘৰলৈ মেকুৰীৰ দৰে হাতত সাৰে ভৰিত সাৰে গৈ গৈ ঈশ্বৰে তাৰ মনে-খোৱা মতে বয়-বস্তু গোটাই ল'লে। ইমান ডাঙৰ ঘৰটোত যে এই এজনী তিৰোতাৰ বাহিৰে আন কোনো নাই, সেই কথা বুজাত তাৰ মুঠেই পলম নহ'ল। পাকঘৰত সোমায়েই সি থমকি থিয় দিলে। খোৱাবস্তুৰ সুগন্ধই তাক আপোনপাহৰা কৰি তুলিলে।

দিনটো আছিল একাদশী। হাকিম-পৰিবাৰৰ উপবাসৰ দিন। পিছে—ৰাতিৰ পৰতে খোৱাৰ বাবে পায়স-পিঠা বিধো-বিধ তৈয়াৰী কৰিছিল। হাকিম নহালৈকে নাখাব তেওঁ। সেই কাৰণে ৰন্ধা-বঢ়ালে কৰাৰ অন্তত খোৱাবস্তু তথা প্ৰসাদখিনি পূজাৰ ঘৰতে লৈ দিছিল আৰু তাতে শুই আছিল।

ঈশ্বৰ ভৰি মাৰি মাৰি সেই কোঠাত সোমাল, আৰু সি পিঠা-পায়সখিনি হেঁপাহ পলুৱাই খালে। সি যে চুৰি কৰিবলৈ সোমাইছিল, সেই কথা সমূলি পাহৰিলে।

*

তাৰ পাছত ঈশ্বৰে তাৰ চুৰি কৰা মাল-বস্তুখিনি হাতত লৈ ওলাই যাবলৈ ধৰোঁতেই বাহিৰৰপৰা “দুৱাৰ খোলা, দুৱাৰ খোলা—” বুলি গিৰিহঁত হাকিমে জোৰে জোৰে কৈ উঠিল।

পৰিবাৰে দুৱাৰ খুলি দিবলৈ ধৰোঁতে ঈশ্বৰ ঘৰৰ এচুকত লুকাই থাকিল।

হাকিমে হাকিমনীক ক'লে, “ৰৰ ভোক

লাগিছে, কি আছে এতিয়াই দিয়া।”

“হাত-মুখ ধুই আহাঁগৈ। মই দিছোঁহি।” এই বুলি কৈ, হাকিম-পত্নী তেওঁৰ পূজাৰ ঘৰটোত সোমাই শিল এচটাৰ দৰে লৰ-চৰ নকৰাকৈ বৈ দিলে। পায়স-পিঠাখিনি দেখোন বাটিবিলাকত নাই!

হাকিমে হাত-মুখ ধুই আহি পৰিবাৰক তেনেকৈ শিল এচটাৰ দৰে থিয় হৈ থকা দেখি সুধিলে, “কি হ'ল তোমাৰ?”

“পায়স নাই, পিঠা নাই, পোলাও-খিনিও নাই—একো এটাও নাই দেখোন! কি হ'ল খোৱাবস্তুখিনি?”

“কি আৰু হ'ব? ডেউকা গজি উৰি যোৱা নাই নহয়? টোপনিৰ জালত পৰি তুমি নিজেই খালা আৰু। মই এতিয়া লঘোনীয়াটো হৈ থাকিম। কপালত আছে লঘোন, কি হ'ব শুনি বচন?” হাকিমে ভোৰভোৰাই ক'লে।

“তোমাক খাবলৈ নিদিয়াকৈ মই কেতিয়াবা জীৱনতো খাইছোঁনে যে মই খাই পেলাইছোঁ বুলি ক'ব পাৰিলা?”

“নহ'লেনো কি হ'লহে!” হাকিম পুনৰ দমদমাই উঠিল।

“জানো—অলপ টোপনি আহিছিল, তেতিয়া ঈশ্বৰেই অনুগ্ৰহ কৰিলেনে কি? হাকিমৰ পৰিবাৰে হাকিমক ক'লে।

“ঢিলা আদা পাই কটিত মচি খাব খুজিছা, নহয়? তোমাক ঢেঁকী-থুৰিয়া মাৰ দিলেহে যদি সঁচা কথাখিনি ওলায়। ৰ'ব্বাঃ—।” এই বুলি কৈ, হাকিমে লাঠি এডাল আনিবলৈ আন এটা কোঠালৈ আগুৱাই গ'ল।

ইমান সময় ধৰি ঈশ্বৰে আঁৰত লুকাই থাকি সকলো কথা-কাণ্ড চাই আছিল। এইবাৰ আঁৰৰপৰা ওলাই আহি, হাকিমৰ আগত থিয় হৈ, হাকিমৰ পৰিবাৰলৈ আঙুলিয়াই ঈশ্বৰে হাকিমক ক'লে, “তেওঁৰ কথা সাঁচেকাটে সঁচা। তেওঁ যে খোৱাবস্তুখিনি খোৱা নাই, ছুইও

চোৰা নাই, ঈশ্বৰসাক্ষী। ময়েই ঈশ্বৰ। ময়েই আটাইখিনি পিঠা-পায়স-পোলাও খাইছোঁ। জগৰ মোৰ, আৰু জগৰীয়া তেওঁ—এই কথা মহাপাপ। ইমান পাপ মই নকৰোঁ। সেইদেখিহে আপোনাক খোৰাবস্তুখিনিৰ বিষয়ে সঁচাখিনি ক'লোঁ।"

*

এনেতে বাহিৰৰপৰা কোনোবাই চিঞৰি মাতিলে, "ঈশ্বৰ! ঈশ্বৰ!"

"আহিছোঁ—।" বুলি কৈ, ঈশ্বৰ চকুৰ পচাৰতে ঘৰৰপৰা ওলাই গুচি গ'ল।

*

গোবিন্দই দোতালাত উঠি চুৰি কৰিবলগা প্ৰায়একোৱেই পোৱা নাছিল। তাৰ পাছত, দোতালাৰপৰা খটখটিয়েদি তললৈ নামি আহি আন দুজনমানৰ লগত তাৰ ভাগিন ঈশ্বৰৰ মাতো শুনি কাণ পাতি বৈ দিলে। 'ঈশ্বৰ, ঈশ্বৰ' বুলি কোনোবাই চিয়ঁৰা তাৰ কাণত পৰিল। ঈশ্বৰ ধৰা পৰিল বুলি গোবিন্দই ভাবিছিল।

তাৰ পাছত, হাকিমৰ ঘৰৰপৰা ওলাই আহি, ঈশ্বৰ ধৰা পৰিলনে নাই পৰা, পৰীক্ষাৰ মনেৰে যি ঈশ্বৰক মাতিছিল।

*

ঈশ্বৰ অহাৰ পাছত গোবিন্দই তাক ক'লে, "তোৰ বাহাদুৰি আছে অ' ঈশ্বৰ! চুৰি কৰিও গিৰিহঁত-গিৰিহঁতনীৰ হাতৰ মুঠিৰপৰা সৰকি আহিব পাৰিলি তেও!"

"হেৰা—তুমিনো তেনেকে' মুঢ়া আমৰ দুদুটো যেন হৈ থিয় হৈ আছা কিয়? হাতৰ মুঠিত পায়ো চোৰটোক নধৰিলা!" হাকিমনীয়ে হাকিমৰ কটা ঘাঁত চেঙা তেল দিলে।

আৰু হাকিম তৎক্ষণাৎ জ'াপ মাৰি দুৱাৰ খুলি ওলাল।

হাকিমনীয়ে ক'লে, "হেঁঃ! আৰুনো হনুমন্ত জ'াপ মাৰি কি হ'ব? বৰষুণ গ'লে জাপি বিচৰাত কিবা লাভ আছে জানো?"

বজ্ৰৰ লেপ
বজ্ৰপাত...
ইংলেণ্ডত ওক্ আৰু পপ্‌লাৰ বৃক্ষ ক্ৰমাত কমি গৈছে। হেতু ঃ বজ্ৰপাত!
বিপদকাল ৰঙা পাখি অৰ্থাৎ জঁ থকা মতা কুকুৰাই বালিৰ ভিতৰত মূৰটো স্নমূৰাই দিয়ে। এই বিষয়ে বিভিন্ন দেশত বিভিন্ন প্ৰবাদ প্ৰচলিত। কোনো কোনো দেশত কুকুৰা নহয়, যিকোনো প্ৰাণীয়েই কোনো শব্দ উঠিলে শব্দৰ উৎসস্থল অনুমান কৰাৰ চেষ্টা কৰে আৰু ক'লৈ পলাব লাগিব মুহূৰ্ততে সেই সিদ্ধান্ত লৈ পলায়।
জুই-আঙুলি নহয়—
জঁ!
আগ্নেয়...
আগ্নেয়গিৰিৰ পৰা ওলোৱা জুলীয়া পদাৰ্থ লাভাৰ উষ্ণতা হ'ল ৪০০০° ফাৰেনহাইট!

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ নভেমবাৰ সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৮ চনৰ ছেপেটেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ জুলাই মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : বেজি লৈও দৰকে   দ্বিতীয় ফটো : বেজীৰ কাণে সৰকে

পুৰস্কাৰ প্ৰাপক : বিমল পালিত, মাৰফৎ : জহৰ গুহ, ১০ নং আৰপুলি লেন, কলিকতা-১২
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

ফেৰেক্স® খাই দোপত দোপে বাঢ়ি যোৱাৰ সোৱাদভৰা উপায় !

আপোনাৰ সন্তানৰ উচ্চতা আৰু ওজন জুখি চাওক*	শিশু (লৰা)		শিশু (ছোৱালী)	
	ওজন	উচ্চতা	ওজন	উচ্চতা
৩ মাহত	৫.২ কিলো	৫৯.১ চে.মি.	৪.৯ কিলো	৫৮.৪ চে.মি.
৬ মাহত	৬.৭ কিলো	৬৪.৭ চে.মি.	৬.১ কিলো	৬৩.৭ চে.মি.
৯ মাহত	৭.৩ কিলো	৬৮.২ চে.মি.	৬.৯ কিলো	৬৭.০ চে.মি.
১২ মাহত	৮.৪ কিলো	৭৩.৯ চে.মি.	৭.৮ কিলো	৭২.৫ চে.মি.

* ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিছাৰ্চ দ্বাৰা প্ৰকাশিত।

ভাৰতীয় শিশুৰ এয়া গড়ানুপাতিক তালিকা। আপোনাৰ সন্তানৰ গঢ়ন-বাঢ়ন চাই ডাক্তৰ সন্তুষ্ট হলে আপোনাৰ চিন্তাৰ কোনো কাৰণ নাথাকে।

শিশুৰ যত্ন সম্বন্ধীয় আপোনাৰ বিনামূলীয়া পুস্তিকাৰ কাৰণে এই ঠিকনালৈ লিখক : গ্লিণ্ডিয়া লি. (FPD/255) ডঃ এনি বেচান্ত ৰোদ, ৱৰ্লি, বোম্বাই-৪০০ ০২৫।



আপোনাৰ সন্তানৰ পৰিপূৰ্ণ বিকাশ আৰু গঢ়ন-বাঢ়নৰ কাৰণে খুৱাওক পৰিপুষ্টিৰে ভৰপুৰ ফেৰেক্স।

ফেৰেক্স®

গঢ়ন-বাঢ়নৰ কাৰণে সোৱাদভৰা উপায়

26/203 ASM

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

A Super treat in every sweet!
SUPER SIZE! SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্ৰিন কনফেকশনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিত্তুৰ, অ. প্ৰ.
NC/8636